**Proceedings of the Eighth Session of the Assam Legislative Assembly assembled after the Second General Election under the Sovereign Democratic Republican Constitution of India**

---

The Assembly met in the Assembly Chamber, Shillong at 10 a. m. on Saturday, the 12th March, 1960.

PRESENT

Shri Mahendra Mohan Choudhury, B. L., Speaker in the Chair, seven Ministers, three Deputy Ministers and sixty-two Members.

---

## QUESTIONS AND ANSWERS

### STARRED QUESTIONS

(To which oral answers were given)

**Construction of labour quarters in New-Cinnatolia Tea Estate, North Lakhimpur**

**Shri DURGESWAR SAIKIA (Thowra)** asked:

*23. Will the Minister-in-charge of Labour be pleased to state—

(a) What is the labour population and areas of New-Cinnatolia Tea estate of North Lakhimpur Subdivision ?

(b) The total number of families there ?

(c) What is the total number of labour quarters newly constructed till now and whether these quarters are as per specification ?

(d) Whether it is a fact that the old labour quarters are most deplorable in comparison with other Tea Gardens of North Lakhimpur Subdivision ?

(e) Whether it is a fact that water supply facility there is very poor ?

(*f*) Whether as per Plantation Act, club house and creche were provided in this garden ?

(*g*) Whether the Minister will be pleased to take necessary steps to provide all these in the interest of the labourers ?

**Shri KAMAKHYA PRASAD TRIPATHI (Minister, Labour)** replied:

23. (*a*)—Population including dependants... 1276

Workers on Rolls ... ... .. 808

Area of Plantation .. .. 813·24 acres

(*b*)—Resident Families .. 428.

(*c*)—New labour quarters built conforming to the plan as approved by Chief Inspector of Plantations are as under—

| | | 1957 | 1958 | 1959 | Total |
|---|---|---|---|---|---|
| Pucca | ... | 6 | 10 | 10 | 67 |
| Kutcha | .. | .. | 41 | .. | |

(*d*)—The housing condition of the Estate is not satisfactory.

(*e*)—According to report received there are 15 pucca wells and 2 shallow tube-wells within the Tea Estate. It is however, reported that the Management is endeavouring to sink new wells to remove water scarcity.

(*f*)—There is no club house at present. There are two Kutcha creches. A new building is reported to be in the process of construction and directions have been issued to the employer to provide a club as well.

(*g*)—Necessary steps are being taken.

**Shri DURGESWAR SAIKIA (Thowra)** : কৈছে ১৯৫৭ চনত ৬টা ১৯৫৮ চনত ১০টা আৰু ১৯৫৯ ১০টা পকা ঘৰ সাজিছে সেই ঘৰবোৰ specification মতে সজা হৈছেনে—নাম মাত্ৰ ঘৰহে ?

**Shri KAMAKHYA PRASAD TRIPATHI (Minister, Labour)**: According to specification সজা হৈছে বুলিহে জানিব পাৰিছো।

**Shri DURGESWAR SAIKIA (Thowra)**: যোৱা ১২ বছৰৰ ভিতৰত শ্ৰম বিভাগৰ কোনো বিষয়া সেই বাগিছালৈ গৈছেনে ?

**Shri KAMAKHYA PRASAD TRIPATHI** : এই বাগিছা খনলৈ শ্ৰম বিভাগৰ বিষয়া গৈছেনে নাই সঠিক কব নোৱাৰো।

**Shri DURGESWAR SAIKIA**: সেই বাগিছাত ঘৰ-দুৱাৰ, পানী-দুনীৰ যে বৰ অসুবিধা সেই কথা চৰকাৰে জানেনে ?

**Shri KAMAKHYA PRASAD TRIPATHI**: এনেকুৱা অসুবিধা বহুত বাগিছাত আছে বুলি আমি জানো। সংখ্যাকৰলৈ অৱশ্যে টান। Under the plantation Act: যি হিচাপে ঘৰ-দুৱাৰ, পানী আদিৰ ব্যৱস্থা হব লাগিছিল বহুত বাগিছাত হোৱা নাই।

**Shri DURGESWAR SAIKIA (Thowra)**: অসমৰ শতকৰা ৮০ খন বাগিছাৰ অৱস্থা এনে বাগিছাতকৈ ভাল এইটো চৰকাৰে স্বীকাৰ কৰেনে আৰু ইয়াৰ তদন্ত কৰিবনে ?

**Shri KAMAKHYA PRASAD TRIPATHI**: বাগিছাৰ শতকৰা হিচাপটো অশুদ্ধ নহব।

## Recurring grants to Hindusthan Mazdoor Sevak Sangha, Assam Seva Samity and Kasturba Gandhi National Memorial Trust

**Shri DURGESWAR SAIKIA (Thowra)** asked :

* 24. Will the Minister-in-charge of Labour be pleased to state—

(*a*) Whether it is a fact that some non-official organisations in Assam are carrying on Labour Welfare Works amongst Tea Garden, *Ex*-tea garden and female labourers ?

(*b*) If so, what are those Organisations ?

(*c*) Whether Government sanction recurring grants to those Organisations every year and if so, what is the amount sanctioned for each of the Organisation during the year 1958-59 and 1959-60 ?

(*d*) What was the date on which those Organisations got the money in the year 1958-59 ?

(*e*) What is the date on which the above Organisations received the grant for 1959-60?

(*f*) Whether the Minister-in-charge will try to avoid the delay in payment in future?

**Shri KAMAKHYA PRASAD TRIPATHI (Minister, Labour)** replied:

24. (*a*)—Yes.

(*b*)—(1) Hindusthan Mazdoor Sevak Sangha.

(2) Assam Seva Samity.

(3) Kasturba Gandhi National Memorial Trust.

(*c*)—Yes. The amounts sanctioned for the Organisations for the years 1958-59 and 1959-60 are as below—

(1) Hindusthan Mazdoor Sevak Sangha—

| 1958-59 | 1959-60 |
|---|---|
| Rs. | Rs. |
| 35,200 | 35,200 |

(2) Assam Seva Samity—

| 1958-59 | 1959-60 |
|---|---|
| Rs. | Rs. |
| 50,000 | 50,000 |

(3) Kasturba Gandhi National Memorial Trust—

| 1958-59 | 1959-60 |
|---|---|
| Rs. | Rs. |
| 21,600 | 21,600 |

(*d*)—The 16th March 1959.

(*e*)—Bank draft was issued to Secretary, Hindusthan Mazdoor Sevak Sangha and Kasturba Gandhi National Memorial Trust on the 27th January 1960 and to Secretary, Assam Seva Samity on the 4th December 1959.

(*f*)—Steps are taken to see that the delay is avoided.

**Shri DURGESWAR SAIKIA (Thowra):** এই অনুস্থান বোৰক বাৰ্ষিক মঞ্জুৰী দিওঁতে যদি ইমান পলমকৈ দিয়ে—যেনে, ১৯৫৮-৫৯ চনৰ টকা ১৬-৩-৫৯ তাৰিখে দিছে আৰু ১৯৫৯-৬০ চনৰ টকা ২৭-১-৬০ তাৰিখে দিছে,। ইয়াৰ পৰা অনুস্থানবোৰ চলাত অসুবিধা হৈছে । ইয়াৰ বিপক্ষে মন্ত্ৰী মহোদয়ে কেনেকুৱা ব্যৱস্থা গ্ৰহণ কৰিছে ?

**Shri KAMAKHYA PRASAD TRIPATHI (Minister, Labour):** এই বিষয়ে কোনো সন্দেহ নাই, অসুবিধা হৈছে । ১৯৫৮-৫৯ চনৰ utilisation certificate দাখিল কৰা নাছিল বাবে টকা পোৱা পলম হল । ১৯৫৯-৬০ চনৰ Accountant General's pay slip mislead হল বাবে পলম হল । এই বছৰৰ পৰা তেনে অসুবিধা নহব বুলি আশা কৰা হৈছে ।

**Shri DEVENDRA NATH HAZARIKA (Saikhowa):** Sir, what is the nature of different welfare schemes taken up by these 3 different organisations ?

**Shri KAMAKHYA PRASAD TRIPATHI:** The Assam Seva Samity runs certain technical training centres attached mostly to schools ; the Hindusthan Mazdoor Sevak Sangha gives grants to technical training institutions meant for the labour children and gives scholarships also ; the Kasturba Gandhi National Memorial Trust runs certain centres for training of girls of plantation labour in diverse vocational lines as well raising the standard of living.

**Shrimati LILY SENGUPTA (Lahowal):** এই অনুস্থান বোৰক ৰেকাৰিং মঞ্জুৰী দিয়াৰ ব্যৱস্থা আছেনে ?

**Shri KAMAKHYA TRIPATHI:** এই মঞ্জুৰী লাম্প চাম হিচাপে দিয়া হয় । অনুস্থানবোৰে টকাবোৰ খৰচ কৰি utilisation certificate দিব লাগে পিচত ।,

**Shri DANDESWAR HAZARIKA (Morangi):** এই মঞ্জুৰীৰ টকা ঠিক মতে খৰচ কৰা হৈছেনে নাই সেইবোৰ অদিত (audit) কৰা হয়নে ?

**Shri KAMAKHYA PRASAD TRIPATHI:** তেওঁলোকে utilisation certificate দিয়ে আৰু তাৰ ওপৰত নিৰ্ভৰ কৰি টকা দিয়া হয় ।

**Shri DANDESWAR HAZARIKA:** কোনো audit নাই ?

**Shri KAMAKHYA PRASAD TRIPATHI:** বেলেগ audit নাই ।

**Shri DURGESWAR SAIKIA:** মন্ত্ৰী মহোদয়ে audit নহয় বুলি কৈছে, কিন্তু audit বছৰি বছৰি কৰি যে আছে এইটোৰ খবৰ কৰিবনে ?

**Shri KAMAKHYA PRASAD TRIPATHI:** I take the information, Sir.

**Shri DURGESWAR SAIKIA (Thowra)** : মন্ত্ৰী মহোদয়ে কৈছে যে হিন্দুস্থান মজদুৰ যুবক সংঘই utilisation certificate দিয়া পলম হল । সেই জনাত আগষ্টৰ ভিতৰতে দিছে, কিন্তু টকা পালে মাৰ্চত । এই কথাটো মন্ত্ৰীৰ উত্তৰৰ লগত বিজায় পৰীক্ষা কৰিব বুলি আশা কৰিলো ।

**Shri KAMAKHYA PRASAD TRIPATHI (Minister, Labour)** : পৰীক্ষা কৰাত আপত্তি নাই । শ্ৰম বিভাগৰ অফিচৰে utilisation certificate পঠাওঁতে পলম হল ।

**Shri RADHAKISHAN KHEMKA (Tinsukia)** : অসমত আৰু কিছুমান অনুস্থান যেনে—ডিব্ৰুগড় বনুৱা মহিলাৰ শিক্ষাকেন্দ্ৰ, বৰডুবী সেৱা গ্ৰাম আদি, সেইবোৰকো এনে সুবিধা দিয়া হবনে ?

**Shri KAMAKHYA PRASAD TRIPATHI** : বৰ্ত্তমান এই তিনটা অনুস্থানেই কাম কৰি আছে বুলি আমি জানো ।

**Shri HIRALAL PATWARI (Panery)** : মন্ত্ৰী মহোদয়ে জানেনে যে শ্ৰমিক সেৱা সমিতিত কংগ্ৰেছী এজনো নাই ? সেই সমিতিৰ তৰফৰ পৰা শ্ৰীউমা শঙ্কৰ মিত্ৰ নামে এজন কৰ্মীয়ে খৈৰাবাৰীত নৈশ বিদ্যালয় খুলিব খুজিছিল কিন্তু চৰকাৰে নিদিলে । এই সমিতিৰ কামত চৰকাৰে বাধাহে জন্মাইছে ।

**Shri KAMAKHYA PRASAD TRIPATHI** : তেনেকুৱা আপত্তি পোৱা গৈছে ।

**Shri MOHIKANTA DAS (Barchalla)** : এই অনুস্থানবোৰ কংগ্ৰেছ কৰ্মীৰ দ্বাৰা কৰা হৈছেনে কি ?

**Shri KAMAKHYA PRASAD TRIPATHI** : হিন্দুস্থান মজদুৰ সেৱক সংঘ, অসম সেৱা সমিতি আৰু কস্তুৰবা গান্ধী ট্ৰাষ্ট, এই বিলাক specialised agency. Non-political organisation হিচাপে চলি আছে ।

**Shrimati LILY SEN GUPTA (Lahowal)** : যুৱতী চেমিনাৰ আছে যিবিলাক সেইবিলাকত সাহায্য দিয়াৰ ব্যৱস্থা আছেনে নাই ?

**Shri KAMAKHYA PRASAD TRIPATHI** : এইটো Lump-sum হিচাবে দিয়াহয়, Seminar basis ত দিয়া নহয় ।

**Shri DEVENDRA NATH HAZARIKA (Saikhowa)** : Whether it is a fact that the amount allotted within a particular financial year has to be spent within that year ?

**Shri KAMAKHYA PRASAD TRIPATHI** : Well, Sir, I think amounts are spent during that particular year.

**Shri DEVENDRA NATH HAZARIKA** : Whether the Minister-in-charge knows that when the amounts are allotted at the end of the financial year, say, in the month of March, it becomes difficult for these organisations to adjust their schemes ?

**Shri KAMAKHYA PRASAD TRIPATHI** : I agree. What happens is ; the expenditure is already incurred and these amounts are adjusted against past expenditure.

## UNSTARRED QUESTIONS

(To which answers were laid on the table)

### Different Industries for which licenses have been granted by Government

**Shri SARAT CHANDRA GOSWAMI (Kamalpur)** asked:

55. Will the Minister-in-charge of Industries be pleased to state—

(*a*) What are the different Industries for which licenser have been granted by the Government to be established in Assam during the last four years and where they are located ?

(*b*) What amount of financial assistance and land have been provided to these Industries by the Government ?

(*c*) Whether there is any clause in the agreement to the effect that the industries will have to provide for inplant training of a certain number of trainees in their factories ?

(*d*) Whether there is any clause in the agreements to the effect that in jobs of these industries children of the State will be given preference provided the candidates possess necessary qualifications ?

(*e*) Whether Government are aware that in the industries that have been developed in the State, appointments have been made to persons from outside the State though there is large number of unemployment youths in the State ?

(*f*) Whether Government propose to come to some understanding with the industries so that youths of the State may get preference in appointments and training in the industries concerned ?

**Shri KAMAKHYA PRASAD TRIPATHI (Minister-in-charge of Industries)** replied:

55. (*a*)—A statement is placed on the table of the House showing the Industries licenced during the last 4 years under the Industries (Development and Regulation) Act.

(*b*)—The land requirement of these industries are met for the most part by the industries themselves. Government also help them in acquiring land as and when necessary. As regard financial assistance, so far no loan assistance has been given to any of the industries referred to above except a certain amount advanced in the case of the fruit preservation project proposed to be implemented by Messrs. Chocs, Limited. The agreement with this Company has since been terminated and the fruit preservation project has since been decided to be taken up in the puplic sector in Cachar. The Government participated in the share capital of the other major industries is shown below:—

(1) The Assam Saw Mills and Timber Company in 1950-51 to the extent of Rs.5 lakhs (2) The Assam Cements Ltd., to the extent of Rs.15 lakhs in 1958-59 and (3) the Co-operative Sugar Mills, Dergaon to the extent of Rs.27 lakhs in 1957 and 1958. It has also been decided to participate in the share capital of the Indian Refineries Limited to the extent of the cost of land for the Gauhati refinery Project which is likely to be of the order of Rs.50 lakhs or more and to the extent of Rs.30 lakhs in the Assam Pulp Mills Project at Lamsakhang.

(*c*)—The procedure followed in respect of licencing of industries under the Industries Act is that an application is made directly to the Government of India for the issue of licence by a particular industry and thereafter this matter is decided by the Licensing Committee set up by the Government of India. The State Government's recommendations are also asked for and furnished in the case of such licences but the final decision rests with the Licensing Committee of the Government of India. There is no provision as such in the licence application for providing inplant training nor is any separate agreement necessary to be entered into between the Government and each and every case where an industrial licence is issued. Separate agreements with the industrial licences are only entered into in some cases where Government is participating in the project or where forest lease or other assistance is involved. The provision for inplant training is not expected to present any difficulty once the projects now under way are completed and commence production as inplant training is a normal feature of most major industrial undertakings.

(*d*)—As stated in (*c*) above, no separate agreement is entered into with industrial units for which licence is issued under the Industries Act but wherever such agreements are entered into, entailing either State financial participation or

lease and other assistance, a provision is included to the effect that preference will be given to local persons for employment provided they possess the necessary qualifications.

(*e*)—From time to time allegation have been made in this regard. To assist industrialists in this regard, Government have appointed a Liaison Officer recently.

(*f*)—While it is recognised that the question of employment is a matter primarily for the employer to decide, the Government are bringing to the notice of the various industrial units the pressing need for local employment to the maximum extent so that unemployment in the State may be reduced. Training programmes in various lines are also proposed to be taken up.

**Shri SARAT CHANDRA GOSWAMI (Kamalpur)**: It has been stated in reply to (b), "Government also help them in acquiring land as and when necessary". May I know what nature of help Government renders to these industries ?

**Shri KAMAKHYA PRASAD TRIPATHI (Minister, Industries)**: If we have Government land suitable for an industry we make it available on payment of necessary premium and all that.

**Shri PRABHAT NARAYAN CHAUDHURY (Nalbari-East)**: May I khow who are the constituents of the Assam Saw Mills and Timber Company ?

**Shri KAMAKHYA PRASAD TRIPATHI**: This was a public limited company which was running at a loss and then, I think, the Assam Government purchased shares worth 5 lakhs of rupees in order to stabilise the position.

**Shri DEVENDRA NATH HAZARIKA (Saikhowa)**: With regard to (c), is there any instance where the Committee appointed by the Government of India differed with the recommendations of the State Government in granting licences.

**Shri KAMAKHYA PRASAD TRIPATHI**: It is very difficult to give this information off-hand.

**Shri DEVENDRA NATH HAZARIKA**: Whether in any of these industries arrangements have been made to train local people ?

**Shri KAMAKHYA PRASAD TRIPATHI**: What happend is this these industries train apprentices for their own purpose and all expansions which go on are generally by training people recruited locally.

**Shri DEVENDRA NATH HAZARIKA (Saikhowa)**: Whether the Minister-in-charge knows that except the Dergaon Sugar Mill very few local recruitments are made in other industries mentioned in the list ?

**Shri KAMAKHYA PRASAD TRIPATHI (Minister, Industries)**: I don't think so.

## Quantity of Paddy Government proposes to purchase this year from the Co-operatives and Licensed Millers and Dealers

**Shri KHOGENDRA NATH BARBARUAH (Amguri)** asked:

56. Will the Minister, Supply be pleased to state—

(*a*) The quantity of paddy the Government proposes to purchase or procure this year in the State of Assam ?

(*b*) The agencies through which the Government will procure the same ?

(*c*) The rate of price per maund ?

(*d*) Whether it is a fact that the marketing societies or Co-operatives have failed in many occasions to purchase the entire paddy brought to open market for sale from a long distance by the peasants ?

(*e*) If so, why and what steps Government has taken to purchase this entire paddy of the open market ?

(*f*) Whether Government are aware of received reports to the effect that some business-men taking advantage of this inability of the Government are purchasing the surplus stock at a very low price ?

(*g*) Whether Government is aware that some business-men are purchasing paddy at Dhubri, Nowgong, etc., at prices much higher than the control rate ?

**M. MOINUL HAQUE CHOUDHURY (Minister, Supply)** replied:

56. (*a*)—35 lakh maunds.

(*b*)—Co-operatives, Licensed Millers and Dealers.

(*c*)—A Statement is placed on the Library table.

(*d*)—In the early part of January, 1960, the Marketing Societies in some areas of Kamrup and Darrang Districts and of North Lakhimpur Subdivision could not purchase the entire quantities of paddy brought to the market for sale as the paddy contained an abnormal percentage of dust, dirt, foreign matters, etc., beyond the permissible limit prescribed or fair average quality of paddy under the Rice and Paddy (Assam) Price Control Order, 1960. In some cases, funds also ran short.

(*e*)—Adequate funds were arranged from the middle of January, 1960, and all paddy brought to market for sale conforming to the standard specifications prescribed was purchased.

(*f*)—Government have had few such report which are under investigation.

(*g*)—Government have no such information.

**Shri HIRALAL PATWARY (Panery):** মন্ত্ৰী মহোদয়ে জানেনে ডিলাবক লাইচেঞ্চ দিয়াহৈছে তাত খেতিয়কে ৯·২৫ নয়া পইছা পাইছে।

**M. MOINUL HAQUE CHOUDHURY (Minister, Supply):** যত Co-operativeৰ monopoly আছে তাত dealer বা miller নাই গতিকে এইবিলাক প্ৰশ্ন নঠে।

**Shri HIRALAL PATWARY :** ১৯৫৮ চনৰ নবেম্বৰ মাহৰ ১৪ তাৰিখে, মিনিষ্টাৰ মহোদয়ে ধানৰ দাম খেতিয়কাৰ কাৰণে ১০ টকা ২৫ নয়া পইচা হব বলি প্ৰতিশ্ৰুতি দিয়াৰ কথা সচানে ?

**M. MOINUL HAQUE CHOUDHURY :** তেনে কোনো প্ৰতিশ্ৰুতি (assurance) দিয়া নাই।

**Mr. SPEAKER:** দিলেও সেইটো আইন সংগত নহয়।

**Shri PRABHAT NARAYAN CHOUDHURY (Nalbari-East):** Are Government aware that there are loop-holes in the Flood Control order and ordinances issued by the Government which stand on the way so that the officers of the Supply Department cannot take action against the smugglers of the towns ?

**M. MOINUL HAQUE CHOUDHURY:** I do not think so.

**Shri HIRALAL PATWARY (Panery)**: মাননীয় মন্ত্ৰীমহোদয়ে উত্তৰদিছে যে কিছুমান বেয়া ধান অভাৱ কাৰণে, এই ধান বিলাক কিনা নাই। মিনিষ্টাৰ মহোদয়ক মই এইকথা জনাই দিব খুজিছো, যে আচলতে Society of Agent বিলাকৰ টকা নাই তাৰ কাৰণে কিনিব পৰা নাই।

**M. MOINUL HAQUE CHODHURY (Minister, Supply)**: I have nothing more to add.

**Mr. SPEAKER**: The reply is there in (*e*)—Adequate Funds are arranged from the middle of January, 1960.

**Shri HIRALAL PATWARY**: মাননীয় অধ্যক্ষ মহোদয়, মই এই সদনৰ মাননীয় লিদাৰৰ এটা কথালৈ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে যোৱা ২৬ জানুৱাৰী তাৰিখৰ 'লোকসন্দেশ' কাগজত এজন মন্ত্ৰীৰ আচৰণৰ কথা.........

**Mr. SPEAKER**: কি বিষয়ে ?

**Shri HIRALAL PATWARY**: এজন মন্ত্ৰীৰ আচৰণৰ বিষয়ে।

**Mr. SPEAKER**: কাৰ প্ৰতি।

**Shri HIRALAL PATWARY**: এজন private ব্যক্তি শ্ৰী আৰ, চি, আগৰালা।

**Mr. SPEAKER**: এই বিষয়ে আপুনি মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰিব আৰু এইটো সদনত আলোচনা কৰাৰ বিষয় নহয়।

## Number of Youths—Male and Female registered and employed in the Employment Exchanges of the State

**Shri KHOGENDRA NATH BARBARUAH (Amguri)** asked:

57. Will the Minister, Labour be pleased to state—

(*a*) The number and location of Employment Exchange Offices opened in the State ?

(*b*) The number of youth—male and female registered in those offices till the end of 1959 ?

(*c*) The number of persons employed so far ?

**Shri KAMAKHYA PRASAD TRIPATHI (Minister-in-charge of Labour)** replied.

57. (*a*)—There are 14 Employment Exchanges now in Assam and they are located at Shillong, Gauhati, Tura, Dhubri, Bogaigaon, Tezpur, Nowgong, Jorhat, Sibsagar, Diphu, Dibrugarh, Silchar, Aijal and Digboi.

(*b*) & (*c*)—A statement showing the number of youths—male and female registered in those offices from their respective dates of establishment and the number of persons employed upto 1959 is placed on the Library Table.

Separate placement figures of the year 1960 for the registrants upto 1959 is not immediately available.

## Registration of youths in Employment Exchange offices of the State

**Shri SARAT CHANDRA GOSWAMI (Kamalpur)** asked:

58. Will the Minister, Labour be pleased to state—

(*a*) What is the total number of persons registered in each of the Employment Exchange Offices of the State upto January, 1960 ?

(*b*) How many persons have been provided with jobs from persons registered in each of these Centres ?

(*c*) Whether registration in Employment Exchange Offices is insisted for appointment in different Departments of the Government ?

**Shri KAMAKHYA PRASAD TRIPATHI (Minister, Labour)** replied:

58. (*a*) & (*b*)—Total number of applicants registered, total number of applicants placed in employment by each of the Employment Exchanges from the respective date of establishment upto 31st January, 1960 and the total number of applicants available in the Live Register at the end of the 31st January, 1960 are furnished below—

| Name of the Exchange and year of Establishment | Total No. of applicants Registered | Total No. of applicants placed in Employment | Total No. of applicants available in the Live Register at the end of January 1960 |
|---|---|---|---|
| 1. Shillong (November 1945) ... | 86,822 | 13,236 | 2,324 |
| 2. Jorhat (November 1945) ... | 84,053 | 9,876 | 2,325 |
| 3. Silchar (30th May 1950) ... | 48,907 | 7,972 | 2,169 |
| 4. Gauhati (20th April 1950) ... | 61,071 | 5,078 | 8,739 |
| 5. Dibrugarh (9th May 1950) .. | 40,783 | 4,318 | 2,686 |
| 6. Digboi (7th May 1956)... ... | 22,724 | 1,046 | 4,015 |
| 7. Nowgong (30th March 1957) ... | 9,947 | 222 | 1,879 |
| 8. Tezpur (16th December 1957) ... | 4,845 | 266 | 1,124 |
| 9. Dhubri (1st March 1958) ... | 6,790 | 179 | 846 |
| 10. Aijal (22nd November 1958) ... | 1,056 | 568 | 101 |
| 11. Bongaigaon (21st November 1953) | 6,000 | 167 | 1,971 |
| 12. Tura (21st January 1959) ... | 297 | 4 | 55 |
| 13. Diphu (2nd March 1959) ... | 1,027 | 770 | 186 |
| 14. Sibsagar (27th January 1959) ... | 6,000 | 103 | 2,038 |

(*c*)—The Departments of the Government are also instructed to notify to the Employment Exchanges all vacancies except those to be filled by promotion or through the Assam Public Service Commission. The procedure of calling for direct application by advertisement has not however been done away with at present. The appointing authorities are to consider the candidates tendered by the Employment Exchange along with the direct applicants, if any.

It is also directed that the candidates applying direct may be asked to state in their applications if they are registered with the Employment Exchange and give the Registration Numbers. All employment seekers are advised by the Press Note to have their names registered with nearest Employment Exchange

***Shri DEVENDRA NATH HAZARIKA (Saikhowa)**: Whether it is a fact that the Employment Exchange used to forward the candidates' names three times for any number of vacancies that exist in a particular area then strike out the names of such candidates from the register ?

***Shri KAMAKHYA PRASAD TRIPATHI (Minister, Labour)**: Under the rules the names of the candidates after two months are required to be registered again if such candidates have not found jobs already.

**Amount allotted to different Departments of Cachar under Five Year Plans**

**Shri NANDA KISHORE SINHA (Sonai)** asked:

59. Will the Minister-in-charge of Finance be pleased to state—

(*a*) The amount of money so far allotted to Cachar to different Departments specially for Projects under Five Year Plan ?

(*b*) The percentage of expenditure, Department-wise ?

**Shri FAKHRUDDIN ALI AHMED (Minister-in-charge of Finance)** replied :

59. (*a*) & (*b*)—So far as "General Areas", *i.e.*, districts that are not autonomous Hill areas, are concerned, neither Budget provisions are made nor accounts are maintained on District basis either in the Finance Department or in Accountant General's Office and as such, it is not possible to furnish the information readily. There are obvious difficulties in collection and compilation of figures of all Departments and it will take very long time.

---

*Speech not corrected.

**Shri NANA KISHORE SINHA (Sanai)** : The Minister said in reply to questions 59 (a) and (b) that it is not possible to furnish the information readily. Will the Minister be pleased to state what length of time will actually be required or give a time limit to get such information ?

**Shri FAKHRUDDIN ALI AHMED (Minister, Finance)** : Sir, I have already stated that so far as the general areas are concerned, neither provisions are made nor accounts are maintained on district-wise basis. If my friend wants to know about a particular expenditure that has been spent in a specified area, the information can be had by framing a specific information and directing the question to the department concerned.

## Establishment of Police Out-Post at Kachudala area Goalpara Subdivision

**Dr. GHANASHYAM DAS [North Salmara (Reserved for Scheduled Castes)]** asked :

60. Will the Chief Minister be pleased to state—

(*a*) Whether Government are aware that dacoities and thefts frequently occur in Majeralgachar, Sankhoachar and Kachudala area under North Salmara P. S. in the Goalpara Subdivision ?

(*b*) Whether Government proposes to establish Police Out-Post at Kachudala area ?

**Shri BIMALA PRASAD CHALIHA (Chief Minister)** replied :

60. (*a*)—Such incidents are not frequent.

(*b*)—Does not arise.

## Granting of University Grants Commission scales to aided College Teachers

**Shrimati KOMOL KUMARI BARUA (Katonigaon)** asked :

61. Will the Minister in-charge of Education be pleased to state—

(*a*) Whether Government has decided to give benefit of University Grant Commissions scale to the aided college teachers of Assam from 1957 ?

(*b*) If so, what is the present position ?

**Shri BIMALA PRASAD CHALIHA (Chief Minister)** replied :

61. (*a*)—It has been decided to give the benefit of University Grants Commission scales to aided college teachers from 1st April 1959.

(*b*)—Details are being worked out for issue of formal orders in the light of Government decision.

**Shrimati KOMOL KUMARI BARUA (Katonigaon)**: In answer to question (b), the reply is that "Details are being worked out for issue of formal orders in the light of Government decision" May I know what is the decision taken by Government now ?

**Shri BIMALA PRASAD CHALIHA**: The Government have decided to give effect to the recommendations of the University Grants Commission with effect from April, 1959.

**Shrimati KOMOL KUMARI BARUA**: May I know from Government whether some terms and conditions were imposed in matter of giving benefits to the teachers of aided schools and colleges ?

**Shri BIMALA PRASAD CHALIHA**: The terms and conditions are there Government want to introduce the Government Servants' Conduct Rules as a condition to the grant.

**Shri HARESWAR GOSWAMI (Rampur)**: Whether the University Grants Commission considers it as a condition precedent to the imposition of the Government Servents' Conduct Rules and that, that would apply to the teachers of aided schools and colleges ?

**Shri BIMALA PRASAD CHALIHA**: It is not the decision of the University Grant Commission but it is the decision of the State Government.

**Shrimati KOMOL KUMARI BARUA**: Is it a fact that Government will bear 50 per cent of the amount only which will be required to give the scale suggested by University Grants Commission ?

**Shri BIMALA PRASAD CHALIHA**: Yes, Sir, it is a fact.

**Shri DEVENDRA NATH HAZARIKA (Saikhowa)**: It is a fact that some of these intermediate colleges have been excluded from getting the benefit ?

**Shri BIMALA PRASAD CHALIHA** : The schools and colleges which are affiliated and are getting grants would get the benefits.

**Shri HARESWAR GOSWAMI (Rampur):** Is it not a fact that the recommendation of the University Grant Commission is to give benefit to all teachers of aided schools and colleges without taking into consideration whether they are Government servants or non-Government servants ?

**Shri BIMALA PRASAD CHALIHA (Chief Minister):** The recommendations of the University Grants Commission may be so but we have also taken into consideration about the proper management of the schools and colleges.

**Shri HARESWAR GOSWAMI :** Will it not frustrate the recommendations of the University Grants Commission if the Government Servants Conduct Rules be imposed on the teachers of aided schools and colleges ?

**Shri BIMALA PRASAD CHALIHA:** I don't think so.

**Shri SARAT CHANDRA GOSWAMI (Kamalpur):** Recommendations have been made by the University Grants Commission, therefore, there should be no difficulty on the part of the University Grants Commission to have and distribute the fund.

**Shri BIMALA PRASAD CHALIHA :** I don't have any material before me now. Of course I understand that recommendations have been made by the University Grants Commission to the Government that funds may be given to and distributed through th University Grant Commission, but I don't think that a decision has been taken by the Government of India in this regard.

**Shri DANDESWAR HAZARIKA (Morongi):** It is a fact that there has been some resentment among the teachers of aided schools and colleges for the proposed enforcement of the Government Servants' Conduct Rules ?

**Shri BIMALA PRASAD CHALIHA :** I have read it in the press but, I have not received any official information.

**Shri HARESWAR GOSWAMI :** Will Government reconsider the question of imposition of these terms and conditions in view of the resentment caused to the teachers ?

**Shri BIMALA PRASAD CHALIHA :** Government decision should not be taken from the point of view of resentment. Actually Government's intention in introducing such a condition is for the good of the people and the country as a whole so that the teachers can whole-heartedly devote their time to serve and impart proper education. If the teachers in schools and colleges engage themselves in politics then cause of education would suffer. That is the consideration so far the Government is concerned and hence such a decision.

**Shri SARAT CHANDRA GOSWAMI:** In view of the resentment or whatever the case may be in the matter of imposition of Government Servants' Conduct Rules in respect of school teachers of Aided Schools and Colleges, will Government consider the question of consulting the University Authority and form a Committee consisting of representative of Government and of the Association to go into the matter ?

**Shri BIMALA PRASAD CHALIHA (Chief Minister)**: That is a good suggestion. We shall certainly consult the University and the Association also. That is a practice which we perhaps follow even now.

**Shri PRABHAT NARAYAN CHOUDHURY (Nalbari East)**: Do Government know that some M. L. As will lose their seats if the implementation of the terms and conditions is imposed on the teachers of Aided Schools and Colleges ?

**Shri BIMALA PRASAD CHALIHA** : I don't think the members will lose their seats in this House.

### *Ad-hoc* increment to M. V. Schools, B Grade Teachers

**Shri SARAT CHANDRA GOSWAMI (Kamalpur)** asked :

62. Will the Education Minister be pleased to state whether the *ad-hoc* increment benefit of Rs.5 per month to the B Grade Teachers of Government M. V. Schools has been given by now as was assured to be 'being given immediately' in reply to Unstarred Question No. 280 asked by the Questioner on 18th December, 1959 and, if so, whether the teachers have actually received their due amounts ?

**Shri RADHIKA RAM DAS (Deputy Minister, Education)** replied :

62. Yes, the payment is in process.

**Shri SARAT CHANDRA GOSWAMI**: What is the cause of delay in giving the payment since 1957 ?

**Shri RADHIKA RAM DAS**: I have already explained the position in the last session of the Assembly.

**Shri SARAT CHANDRA GOSWAMI** : Is it not a fact that the amount was provided in the last year's Supplementary Budget presented in the last Session of the Assembly ? But uptil now no payment has been made. What is the cause of the delay ?

**Shri RADHIKA RAM DAS** : It is in the process. The order is being sent to the Inspector of Schools.

### Appointment of an Assistant Inspector of Schools for Cachar

**Shri TAJUMMUL ALI BARLASKAR (Udarband)** asked :

63. Will the Minister-in-charge of Education be pleased to refer to his reply to the unstarred question No.8 (C) of the

September Session 1959 asked by the questioner on 15th September, 1959 regarding appointment of Assistant Inspector of Schools, Cachar and state—

(a) Whether any recommendation has been received from the Assam Public Service Commission for the appointment of an Assistant Inspector of Schools, Cachar ?

(b) If so, whether any person has been appointed to the post ?

(c) If not, whether Government propose to appoint the Assistant Inspector of Schools, Cachar immediately ?

**Shri RADHIKA RAM DAS (Deputy Minister, Education)** replied :

63. (a)—Yes.

(b)—A suitable person is being appointed to the post shortly.

(c)—Does not arise as the appointment is being made shortly.

**Shri NANDA KISHORE SINHA (Sonai):** May I know from the Minister how long this post was lying vacant ?

**Shri RADHIKA RAM DAS:** It is lying vacant for about one year.

**Shri NANDA KISHORE SINHA** : What is the recommendation of the Assam Public Service Commission ?

**Shri RADHIKA RAM DAS**: Very recently the Assam Public Service Commission recommended the names of three persons for this post. The name of the first nominee was Shri Birendra Kumar Barua. He could not be appointed to this post because he wanted higher initial. The second candidate was one Majumdar. He was also not appointed to this post because he joined the B. T. College, Jorhat. Therefore, the third nominee Shri Suryyakanta is being appointed to this post.

## Representations from the public of Cachar for provincialising Silchar Gurucharan College

**Shri NANDA KISHORE SINHA (Sonai)** asked:

64. Will the Minister-in-charge of Education be pleased to state—

(*a*) Whether Government have lately received representations from time to time from the public of Cachar for provincialising Silchar Gurucharan College ?

(*b*) If the answer be in the negative, whether Government propose to provincialise the College ?

(*c*) If so, when ?

**Shri RADHIKA RAM DAS (Deputy Minister, Education)** replied :

64. (*a*)—Yes.

(*b*)—Now that the scales of pay and allowances in respect of the Aided College teachers have been materially improved. Government do not see the urgency of provincialising any of the Aided Colleges.

(*c*)—Does not arise.

## General discussion of the Budget

***Shri KHOGENDRA NATH NATH (Goalpara)**: মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই এক কোটিৰো অধিক টকা ৰাহি পৰা বাজেট এখন দাখিল কৰা বাবে ধন্যবাদ জ্ঞাপন কৰিছো। বিত্ত মন্ত্ৰীয়ে বাজেটত নতুন কোনো কৰ-কাটলৰ প্ৰস্তাৱ কৰা নাই বাবে তেখেতৰ শলাগ লৈছো। বিভিন্ন বিষয়ত ৰাজ্যৰ পৰিস্থিতি আৰু অগ্ৰগতিৰ বিষয়ে পৰ্য্যালোচনা কৰি আমাৰ সমস্যা আৰু আৱশ্যকতাৰ বিশ্লেষণত তেখেতৰ যি ঐকান্তিকতা প্ৰকাশ পাইছে আৰু আমাক ভাৰতৰ আন ৰাজ্যৰ সমানে উন্নতিৰ পথত আগুৱাই নিবলৈ যি দৃঢ়তা দেখুৱাইছে তাৰ প্ৰতি মই ধন্যবাদ জ্ঞাপন কৰিছো। জন-সাধাৰণৰ প্ৰগতিৰ আশা আকাঙখাৰ প্ৰতি শ্ৰদ্ধা জনাই ঐক্য আৰু উত্তৰোত্তৰ উন্নতি সাধনৰ কাৰণে চৰকাৰৰ লগত সকলোৰে তেখেতে সহযোগীতা কামনা কৰিছে।

অধ্যক্ষ মহোদয়, বাজেটখন ভাল ভাৱে পৰিচালনা কৰিলে দেখিব যে চৰকাৰৰ অফিচ আৰু যাবতীয় খৰচ প্ৰায় শতকৰা ৭০ ভাগ হৈছে। তাৰ পিচত নানান বিল্ডিং সজাটো লাখ লাখ টকা খৰচ কৰা দেখা গৈছে। এই বিল্ডিং

†Speech not corrected.

কৰি চৰকাৰেৰ কোনো লাভ হোৱা নাই , ভৱিষ্যতেও নহয় । এই বিল্ডিং সজাৰ বাবে যি টকা ভগোৱা হৈছে সেই টকা ঠিক মতে ভগোৱা হোৱা নাই, অৰ্থাৎ Fair distribution হোৱা নাই । যোৱা বছৰ শিক্ষা বিভাগৰ পৰা ৫ লাখ টকা non-recurring শিতানত হাইস্কুল আৰু কলেজৰ কাৰণে ভগোৱা হৈছিল । সেই বিতৰণ ঠিক হলনে নাই জানিবৰ কোনো উপায় নাই । ১৭।১৮ টা বে-চৰকাৰী কলেজৰ ভিতৰত কিছুমানে বিশেষকৈ গোৱালপাৰা কলেজে এক পয়ছাও পোৱা নাই । এইদৰে যদি টকা বিতৰণত বেমেজালি হৈ থাকে তেনেহলে বিত্তমন্ত্ৰীয়ে যি সহযোগীতা বিচাৰিছে, সেই সহযোগীতা কেনেকৈ পাব । সেই কাৰণে এই ধন বিতৰণৰ ক্ষেত্ৰত বহল দৃষ্টিভঙ্গীৰে কাম কৰিবলৈ চৰকাৰক অনুৰোধ কৰিছো আৰু তেতিয়াহে অসম চাৰিওফালে নদন-বদন হব পাৰিব ।

চৰকাৰৰ যিবোৰ প্ৰশাসনীয় কাম সেইবোৰত বৰ পলম হোৱা দেখা যায় । যি কোনো কাগজ-পত্ৰ মহকুমাৰ-পৰা ছিলঙলৈ পঠাওঁতে ডেপুটি কমিশ্যনাৰৰ জৰিয়তে পঠাব লাগে নতুবা ছিলঙৰ পৰা পঠাওঁতেও ডেপুটি কমিশ্যনাৰৰ জৰিয়তে যায় ।- ফলত বহুত পলম হয় আৰু কামত বাধা জন্মে । ইংৰাজৰ দিনত কিন্তু এনে পলম হোৱা নাছিল । আমাৰ দেশ এতিয়া স্বাধীন । কিন্তু আমি প্ৰয়োজনীয় কাম ঠিক মতে কৰিব পৰা নাই আৰু উন্নয়নৰ কামো ঠিক মতে কৰিব পৰা নাই । সেই কাৰণে মই চৰকাৰক কওঁ যে মহকুমা বিলাক উঠাই দিব লাগে আৰু S. D. O. সকলক ডেপুটি কমিশ্যনাৰৰ ক্ষমতা দিব লাগে । বম্বে ৰাজ্যত S. D. O. উঠায় সকলোকে ডেপুটি কমিশ্যানাৰ কৰা হৈছে আৰু ফলত কাম দ্ৰুত গতিত হব লাগিছে । সেই কাৰণে প্ৰশাসনৰ কাম দ্ৰুত গতিত হবৰ বাবে আৰু সকলো মহকুমাক সমান সুবিধা দিবৰ নিমিত্তে মহকুমা বোৰক জিলা পৰ্য্যায়ত পুনৰ গঠন কৰিব লাগে ।

তাৰ পিচত আমাৰ মহকুমা বিলাকত জিলা বুলি নামা কৰণ কৰিব লাগে । ইয়াৰ কাৰণ এই যে এখন জিলাত হয়টো দুটা মহকুমা আছে - তাৰে এখন হল সদৰ মহকুমা তাত ডেপুটি কমিশ্যনাৰ থাকে আৰু তেওঁৰ ক্ষমতাও বেচি । সেইকাৰণে তাৰ যিবিলাক আচনি তাক কাৰ্য্যকৰী কৰাত সহজ হয় । আনটোত মহকুমাধিপতি থাকে আৰু তেওঁৰ ক্ষমতা D. C., তকৈ কম । সেই মহকুমাৰ সকলো কাগজ পত্ৰD.C.,ৰ তালৈ মঞ্জুৰীৰ কাৰণে আহিব লাগিব নাইবা D. C.,ৰ জৰিয়তেহে চৰকাৰৰ ওচৰলৈ যাব । অথচ একে আচনিৰ সদৰ মহকুমাত আগতেই সুবিধা পালে আৰু আনটোত বহুতো পলম হব । জিলাৰ এভাগ মানুহে সুবিধা পালে আৰু এভাগ বঞ্চিত হল । ইয়াত কোনো যুক্তি থাকিব নোৱাৰে । সেই কাৰণে এইমহকুমা বিলাকক জিলাত নামাকৰণ কৰি তাতো একোটা সমান ক্ষমতাপন্ন D. C., দিবলৈ মই চৰকাৰক টানি অনুৰোধ কৰো । ইয়াৰ অভাৱতে আমি আচনি বিলাকত ঠিকমতে কৃতকাৰ্য্য হব পৰা নাই । বোম্বেত কোনো মহকুমা নাই । সকলোতে জিলা গঠন কৰিছে । সেই কাৰণেই সকলো কাম দ্ৰুতগতিৰে কৰিবলৈ সক্ষম হৈছে । আমাৰ ইয়াতো সেইটো নকৰিলে চৰকাৰে যিমানেই চেষ্টা নকৰক আমি আচনিবিলাকত কোনো মতেই দ্ৰুতগতিৰে আগবাঢ়িব নোৱাৰিম । এই কথা চৰকাৰে ভালকৈ বিবেচনা কৰিব । ইয়াৰ উপৰিও দেখা যায় Deputy Commissioner য'ত থাকে, চৰকাৰে সেই ঠাইৰ আচনিৰ গুৰুত্ব বেচি দিয়ে আৰু তাৰ আন মহকুমাত কামৰ গুৰুত্ব কম দিয়ে । সেই কাৰণে সদৰ মহকুমাৰ অনুপাতে আন মহকুমা বিলাকক উন্নয়নমূলক কামত বহুত পিচপৰি থাকে । ই এটা বৰ গুৰুত্ব পূৰ্ণ বিষয় । সেই কাৰণে মই চৰকাৰক পুনৰ অনুৰোধ কৰো যাতে এই মহকুমা নামটো পৰিবৰ্ত্তন কৰি সকলো বিলাক জিলাত পৰিণত কৰি শাসন আৰু উন্নয়নৰ কামবিলাকতৰ সমীকৰণৰ এটা ব্যবস্থা সোনকালে কাৰে ।

তাৰপিচত মই গোৱালপাৰা জিলা সম্বন্ধে দুষাৰ কওঁ ।

আবাহমান কালৰে পৰা গোৱালপাৰা জিলাখনত জমিদাৰী প্ৰথা চলি আহিছে । গতিকে এই জিলাৰ সমস্যা অসমৰ আন আন জিলাতকৈ সম্পূৰ্ণ বেলেগ । বৃটিছ আমোলৰে পৰা তাত জমিদাৰী প্ৰথা চলি থকা কাৰণে সেই জিলা সকলোতকৈ পিচপৰি আহিছে । তাত শিক্ষানুষ্ঠান নাই, ৰাস্তাঘাট নাই, আৰ্থিক অবস্থা শোচনীয়—তাৰ পিচত কংগ্ৰেছ আদৰ্শত অনুপ্ৰাণীত জাতীয় চৰকাৰে যেতিয়া উপলব্ধি কৰিলে যে যিকোনো জিলাত জমিদাৰী প্ৰথা প্ৰৰ্বত্তিত হৈ থাকিলে সেই জিলাৰ উন্নতিৰ কোনো সুযোগ সুবিধা নাই । সেই কাৰণে জমিদাৰী প্ৰথা চৰকাৰে উচ্ছেদ কৰিলে । এই কাৰণে চৰকাৰ সমগ্ৰ গোৱালপাৰাবাসীৰ ধন্যবাদৰ পাত্ৰ । ময়ো চৰকাৰক অভিনন্দন জনাইছো ।

কিন্তু আজি গোৱালপাৰা জিলাত দেখা গৈছে যে বৃটিছৰ অধীনত জমিদাৰৰ তলত যেনে শোচনীয় অবস্থাত আছিল আজি জমিদাৰী উচ্ছেদৰ পিচত জাতীয় চৰকাৰৰ তলতো সেই অবস্থাৰ অকনো পৰিবৰ্ত্তন হোৱা নাই । উন্নতিৰ পথত আগবঢ়াৰ কোনো চিনেই পৰিলক্ষিত হোৱা নাই ।

আজিলৈ প্ৰথম পৰিকল্পনা শেষহৈ গল আৰু দ্বিতীয় পৰিকল্পনাও প্ৰায় শেষ হও, হও কিন্তু আজিলৈকে মই গোৱালপাৰা জিলাৰ উন্নয়নৰ কোনো পৰিকল্পনা আমাৰ চৰকাৰৰ পক্ষৰ পৰা লোৱা হোৱা নাই । জমিদাৰী এলাকাবিলাকত জমিদাৰৰ দিনৰে যি দুই এখন শিক্ষানুষ্ঠান আৰু ডাক্তৰখানা আছিল, আজিও তাৰ সংখ্যা বৃদ্ধি হোৱা নাই । গোৱালপাৰা বাসীয়ে ভাবিছিল যে জমিদাৰী আমোলত তেওঁলোকৰ যি দুৰবস্থা আছিল এতিয়া জাতীয় চৰকাৰৰ তলত জমিদাৰী উচ্ছেদ কৰাৰ পিচত তেওলোকে আন জিলাৰ সমানে পৰিকল্পনাবিলাকৰ সকলো সুবিধাই পাব । কিন্তু দুখৰ বিষয় আজিও এই চৰকাৰৰ দিনত গোৱালপাৰাত কোনো শিক্ষানুষ্ঠান হোৱা নাই—জমিদাৰীৰৰ দিনত যিখিনি আছিল তাৰো অবস্থা শোচনীয়—নতুনকৈ ৰাস্তাঘাট হওক চাৰি আগতে থকা কেইটাও মেৰামত নকৰাত অচল অবস্থা হৈছে ।

জমিদাৰসকলে কৰা ডাক্তৰখানা কেইখনৰ অবস্থাও শোচনীয় । চৰকাৰে লোৱাৰ পিচত তাৰ কোনো উন্নতি হোৱা নাই—ডাক্তৰখানা ঘৰৰ অবস্থা শোচনীয়—ডাক্তৰ থকা ঘৰৰ কোনো ব্যবস্থা নাই ।

মহোদয়, মই গোৱালপাৰাৰ প্ৰকৃত অবস্থাটো মাত্ৰ বৰ্ণনা কৰিছো— চৰকাৰে বিজনী জমিদাৰী লোৱাৰ পিচতা, অভয়াপুৰত যি Electric বাতি আছিল, চৰকাৰে লোৱাৰ পিচত সেই বাতি আৰু জ্বলা নাই । এয়ে গোৱালপাৰাৰ ভাগ্যৰ পৰিচায়ক নেকি ?

আজি গোৱালপাৰাক এখন Forest area বুলি কব পাৰি । জমিদাৰী উচ্ছেদৰ পিচত চৰকাৰে সেই Forest বিলাক ললে আৰু সেই Forest বিলাক গাৰো পাহাৰৰ Forest Division ৰ লগত লগলগাই তাৰ Head Quarter তুৰাত কৰি থলে । ইয়াৰ ফলত সেই জংঘালাঞ্চ জংঘল বিলাকত নানা বেমেজালি ঘটাৰ উপৰিও গোৱালপাৰা বাসীৰ বহুতো অসুবিধা হৈছে । বিভাগীয় মন্ত্ৰীক এই কথা একাধিক বাৰ জনোৱা হৈছে আৰু নিজে গৈ মানুহৰ অবস্থাও চাই আহিছে । গোৱাল-পাৰাবাসীয়ে বাটৰ কাৰণে দৰ্খাস্ত দিবলৈ তুৰালৈ যাব লাগে । তাৰ ফলত মানুহে Forest ৰ কাঠ নাপাই হাহাকাৰ কৰিছে । উন্নয়নমূলক কামত আগবাঢ়িব পৰা নাই । শিক্ষা বা অন্যান্য কোনো অনুষ্ঠানৰ কাৰণে কাঠ নাপায়-চৰকাৰে কয় যে জমিদাৰী উচ্ছেদৰ পিচত গোৱালপাৰাক সমৃদ্ধি শালী কৰিব । কিন্তু চৰকাৰে লোৱাৰ পিচত গোৱালপাৰাৰ অবস্থা আগতকৈ শোচনীয় হৈছে ।

এতিয়া গোৱালপাৰা বাসীয়ে প্ৰকাশ কৰে যে চৰকাৰে লোৱাৰ আগতে জমিদাৰৰ তলত তেওঁলোকৰ অৱস্থা ভাল আছিল। চকুৰ আগতে কাঠ আছে অথচ ৰাজহুৱা অনুষ্ঠানৰ কাৰণে বাইজে কাঠ নাপায়। গোৱালপাৰা জিলা শালকাঠৰ ভৰাল। কিন্তু ৰাইজে অনুষ্ঠান আদিৰ কাৰণে Royalty দিও কাঠ নাপায়। কাঠ নিব লাগে পলাশবাৰীৰ পৰা কটিয়াই। তেতিয়াহে স্কুলঘৰত কাঠ লগাব পাৰে। এনেধৰণৰ কিমান বেমেজালিয়ে গোৱালপাৰা বাসীক জুৰুলা কৰি আছে। এনেকৈ থাকিলে সমগ্ৰ গোৱালপাৰা বাসীয়ে প্ৰত্যেক্ষ ভাবে চৰকাৰৰ বিৰুদ্ধাচৰণ কৰিব। জনসাধাৰণৰ বিক্ষোভৰ ভাবটো মই মাত্ৰ ইয়াত প্ৰতিনিধি হিচাবে জনাইছো। সেই কাৰণে মই কও, বৰ্ত্তমানে যিবিলাক বেমেজালি ঘটিছে সেই বিলাক অতি সোনকালে যাতে গুচাবৰ ব্যৱস্থা কৰে। তাৰ কাৰণে মই টানি অনুৰোধ কৰিছো।

মহোদয়, আজি গোৱালপাৰাৰ যি শোচনীয় অৱস্থা হৈছে তাক এই সদনৰ বহুতো সদস্যৰ নাজানে। এসময়ত এই জিলাৰ বাণিজ্য ব্যবসায় পূৰ্ব্ববঙ্গৰ লগত ওত-প্ৰোত ভাবে জড়িত আছিল। ভাৰত বিচ্ছেদ হোৱাৰ পিচত যেতিয়া পূৰ্ব্ববঙ্গ পাকিস্তানৰ অন্তৰ্ভুক্ত হল তেতিয়া সেই সেই ব্যবসায় বাণিজ্য একেবাৰে বন্ধ হৈ গল। তাৰ ফলত সেই জিলাৰ আৰ্থিক অৱস্থা নষ্ট হৈ গৈছে। তাৰপিচত কিছু পৰিমাণে বৰপেটা মহকুমাৰ লগত ব্যবসায় কৰিবলৈ বাধ্য হৈছে। কিন্তু বৰপেটাৰ লগত গোৱাল-পাৰাৰ যাতায়াতৰ কোনো সুবন্দোবস্ত নাই। এতিয়া দেখাগৈছে এই দুয়োঠাইৰে আৰ্থিক অৱস্থা দিনে দিনে তললৈ গৈছে। এয়ে হৈছে বৰ্ত্তমান শাসন ব্যৱস্থা। গোৱালপাৰাৰ চাৰিওফালে হাহাকাৰ—দুৰবস্থা। চৰকাৰে সেই ঠাইৰ উন্নয়নৰ কোনো আচনিয়েই লোৱা নাই। সেই কাৰণে আজি মই চৰকাৰক সেই লোকসকলৰ দুৰবস্থাৰ কথা বিনিতভাবে নিবেদন কৰিব বিচাৰিছো। গোৱালপাৰাৰ আজি আৰ্থিক দুৰবস্থা হৈছে তাক কেনেকৈ দুৰ কৰিব পাৰে তাৰ কাৰণে চৰকাৰে গভীৰ ভাবে চিন্তা কৰিব।

গোৱালপাৰাৰ আৰু এটা দুৰবস্থাৰ কথা মই জনাও। পাকিস্তানৰ ৰিফিউজী সোমোৱা জিলা কেই খনৰ ভিতৰত আটাইতকৈ বেচি ৰিফিউজী সোমাল কাছাৰত আৰু দ্বিতীয়তে সোমাল এই গোৱালপাৰাত। কাছাৰৰ ৰিফিউজীৰ কাৰণে চৰকাৰে বহু টকা কাছাৰ জিলাত খৰচ কৰিছে; কিন্তু গোৱালপাৰাত চৰকাৰে আজিলৈ অলপো টকা খৰচ কৰা নাই। আজি যিবিলাক ৰিফিউজী আহিছে তাক অসম চৰকাৰে গ্ৰহণ কৰিছে আৰু ঠায়ে ঠায়ে সেই সকলৰ কাৰণে ঘৰ বান্ধি দিছে ৰিফিউজীৰ বজাৰ নিৰ্ম্মান কৰিছে—ব্যৱসায় বাণিজ্যৰ সুবিধাৰ কাৰণে টকা দিছে। কিন্তু গোৱালপাৰাত চৰকাৰে এটা পইচাও আজিলৈ খৰচ কৰা নাই। এনে নীতি কি কাৰণে হৈছে কব নোৱাৰো। এই বিলাক কথা আজি সহানুভুতিৰে সৈতে চৰকাৰে চিন্তা কৰা উচিত। গোৱালপাৰাৰ এই জটিল সমস্যা বিলাক কি ভাবে সমাধান কৰিব পাৰে তাৰ এটা আচনি লোৱা নিতান্ত দৰ্কাৰ বুলি মই বিবেচনা কৰো।

তাৰপিচত নিবনুৱা সমস্যাৰ বিষয়ে এই সদনত বহুতো আলোচনা হৈছে। মই বেচি কথা নকও। মই কেবল ইয়াকে কব বিচাৰো যে আমাৰ যিবিলাক মধ্যবিত্ত লোক আছে, তেওলোকৰ জীবনৰ মানদণ্ড, শিক্ষাদিক্ষা, আৰ্থিক অৱস্থা বজাই ৰখা সুকঠিন হৈ পৰিছে। আজি কালি জীবন ৰক্ষাৰ সকলো সামগ্ৰীৰ দাম বাঢ়িছে, কিন্তু আনফালে তেওলোকৰ আয় বঢ়া নাই। আমি সদায় মনত ৰাখিব লাগিব যে ভাৰতৰ এই মধ্যবিত্ত শ্ৰেণীয়েই হল মেৰুদণ্ড। এওলোকৰ কথা আওকান কৰিলে আমি প্ৰকৃত ভাৰতীয় চিন্তাধাৰৰ পৰা আতৰি যাম। এই মধ্যবিত্ত শ্ৰেণীটো দিনে দিনে ধ্বংশোন্মুখ হৈছে। তেওঁলোকৰ লৰাছোৱালীক শিক্ষা দিয়া টানহৈ পৰিছে। মই

সাধাৰণ উদাহৰণ এটা দিওঁ। Text Book Committee যে স্কুলৰ পাঠ্য কিতাপ বিলাক বছৰে বছৰে বদলি কৰে। ফলত প্ৰতি বছৰে নতুন নতুন কিতাপ কিনিব লগা হয়। আগতে ডাঙৰ ভায়েকে পঢ়া কিতাপখন পিছত সৰু ভায়েকেও পঢ়িব পাৰিছিল। এতিয়া প্ৰত্যেক লৰা বা ছোৱালীৰ কাৰণে প্ৰত্যেক বছৰে নতুন কিতাপ কিনিব লগা হৈছে। তাৰ বাবে ছাত্ৰৰ অভিভাৱক সকলৰ এটা সমস্যা হৈ উঠিছে। এইবিষয়ে চৰকাৰৰ চিন্তা কৰা নিতান্ত প্ৰয়োজন। লগে লগে এই প্ৰতি বছৰে কিতাপ বদলোৱা প্ৰথাটো বন্ধ কৰিব লাগে।

মজদুৰ, বনুৱা সকলৰ সমস্যা সমাধান কৰাৰ লগে লগে চৰকাৰে এই মধ্যবিত্ত সম্প্ৰদায়ৰ লোক সকলৰ সমস্যাৰ বিষয়েও তীক্ষ্ণ দৃষ্টি কৰিব। এই সম্প্ৰদায়ৰ লোক সকলে কিভাৱে কিবা এটা ব্যৱসায় বাণিজ্য কৰি জীবিকা নিৰ্ব্বাহ কৰি আগবাঢ়ি আহিব পাৰে তাৰো উপযুক্ত ব্যৱস্থা চৰকাৰে কৰিব বুলি মই অনুৰোধ জনালো।

তাৰ পিচত মই কওঁ যে, ইতিপূৰ্ব্বে বঙ্গদেশত পণপ্ৰথা আছিল। আজি-কালি দেখা যায় সেই প্ৰথা অসমৰো বিশেষকৈ মধ্যবিত্ত শ্ৰেণীৰ ভিতৰত সোমাইছে। ইয়াৰ ফলত তেওঁলোকৰ ছোৱালী বিয়া দিয়া এটা বৰ সমস্যা হৈ পৰিছে। এই মধ্যবিত্তশ্ৰেণীৰ পণ-প্ৰথালৈ বঙ্গদেশৰ সুগায়ক শ্ৰীমুকুন্দ দাসে এই বুলি গোৱা মনত পৰে -

"মানুষ নাই দেশে ভায়ৰে মানুষ নাই দেশে

ছেলেৰ বাপ বসে আছে দশ হাজাৰেৰ আশে"।

এনে এটা অৱস্থা আমাৰ ইয়াতো উপস্থিত হৈছে। যাৰ ছোৱালী আছে,তাৰ জীৱিকা নিৰ্ব্বাহৰ পথ সুকঠিন হলেও, দৰা কিনিব লগীয়া হৈছে। ই বৰ দুৰূহ কথা। চৰকাৰে অনুসন্ধান কৰি আইন প্ৰবৰ্ত্তন কৰি হলেও বন্ধ কৰি মধ্যবিত্ত সম্প্ৰদায়ৰক কন্যা দায়ৰ পৰা মুক্ত কৰিব লাগে।

সৰ্ব্বশেষত আমাৰ চৰকাৰে যি State Trading ৰ ব্যৱস্থা কৰিছে, তাত যি ভুল ভ্ৰান্তি আছে তাক শুধৰাই ৰাইজৰ আস্থাৰ কাৰণে সকলোৱে সহযোগীতা কৰি কাৰ্য্যকৰী কৰাৰ চেষ্টা কৰিব লাগে। তাৰ জৰিয়তেহে আমি গণতান্ত্ৰিক ৰাষ্ট্ৰৰ ভেটি গঢ়ি তুলিব পাৰিম। সকলোৰে এই বিষয়ত সহানুভূতিৰ কাৰণে মই অনুৰোধ জনাইছো।

শেষত মই পৰিস্কাৰ বাজেট এখন দাঙি ধৰাৰ কাৰণে মাননীয় বিত্ত মন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

*Shri NARENDRA NATH SARMA (Dergoan) : মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বিত্তমন্ত্ৰীয়ে ৰাজ্যৰ সমস্যাৰ সমাধান আচনি লক্ষ্যকৰি সদনত যি ৰাষ্ট্ৰী বাজেট দাঙি ধৰিছে——তাৰ বাবে জয় জয়তে মই ধন্যবাদ জনাওঁ। আজি আমাৰ দেশত শিল্প ক্ষেত্ৰত, খাদ্য সমস্যা সমাধান ক্ষেত্ৰত আৰু বিভিন্ন ক্ষেত্ৰত দেশখনক আগ বঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত আমাৰ চৰকাৰে যি নীতি গ্ৰহণ কৰিছে সেই নীতি ক্ষেত্ৰত মই চৰকাৰক এটা কথা জনাব খুজিছো যে ওপৰত উল্লেখ কৰা আটাই বিলাক ক্ষেত্ৰতে চৰকাৰে ৰাইজৰ সহযোগীতা আৰু সমবায়ৰ যোগেদি আগ বাঢ়িবলৈ চেষ্টা কৰাটো প্ৰশংসনীয়। আজি আমি জানিব পাৰিছো যে আমাৰ দেশত অলপতে এটা ডাঙৰ কাগজৰ কাৰখানা গঢ়ি উঠিব আৰু তাৰ লগতে আৰু কেইটা মান কাগজৰ সৰু কাৰখানা গঢ়ি উঠিব তাৰ লগে লগে আৰু অন্যান্য

*Speech not corrected.

শিল্প প্ৰতিষ্ঠান---যেনে চেনীৰ কাৰখানা গঢ়ি উঠিছে। মৰাপাটৰ কাৰখানা গঢ়ি উঠিব। এই বিলাক ফলৱতী হোৱাৰ পথত ৰাইজৰ সহানুভূতি আৰু কেচামাল যোগান ধৰাত তেখেত সকলৰ বৰঙণি---এই দুটা কথাই মূল। কল-কাৰখানা প্ৰতিস্থা কৰি কেচামাল যোগান ক্ষেত্ৰত যদি grower বিলাকক যদি উপযুক্ত সা-সুবিধা চৰকাৰে দিব নোৱাৰে তেন্তে তাৰ দ্বাৰাই এহাতে শিল্পৰ কাৰখানা বিলাক টিকি থাকিবলৈ টান হব আৰু আনহাতে---দৰিদ্ৰ জনসাধাৰণে দুপইচা নোপোৱাকৈ, দিনৰ পাচত দিন, মাহৰ পাচত মাহ আৰু বছৰৰ পিচত বছৰকৈ দিন কটাই যাব লাগিব আৰু তেওঁলোকৰ কোনো কালেই আৰ্থিক সংকটৰ অৱসান নঘটিব। চেনী কাৰখানাৰ কাৰণে কুহিঁয়াৰ উৎপাদন লাগে - উপযুক্ত ভাৱে ভাল কুহিঁয়াৰ যোগান ধৰিব নোৱাৰিলে বা উৎকৃষ্ট ধৰণৰ কুহিঁয়াৰ নহৈ যেনে তেনে ধৰনৰ কুহিয়াৰ যোগান দিলে-কলৰ পৰা উপযুক্ত পৰিমাণৰ চেনী উৎপাদন হব নোৱাৰে। সেই দৰেই সকলো শিল্পৰেই পৰিপুষ্ট নিভৰ কৰে কেচা মালৰ উৎপাদন আৰু যোগানৰ ওপৰত। এই বিলাক প্ৰথমতে উৎকৃষ্ট ধৰণৰ হব লাগিব আৰু এই ক্ষেত্ৰত ধৰক ভাল কুহিঁয়াৰ, উৎপাদন কৰিব পৰাকৈ দিহা পৰামৰ্শ আৰু আদৰ্শ দিবলৈ বিচাচ ইন্‌ষ্টিটিউতৰ প্ৰয়োজন হৈ পৰিছে।এই উদ্দেশ্যৰে ইংৰাজী ১৯৫৬ চনতেই টকা মঞ্জুৰ হৈছিল আৰু সেই টকা আজিলৈকে কামত খটুৱাব পৰা নাই আৰু Research Institute ও স্থাপিত হোৱা নাই। আশাকৰো চৰকাৰে এই প্ৰতিস্থান সোনকালে স্থাপন কৰি এই শিল্পটোৰ পৰিপুষ্টি সাধন কৰি দেশৰ বৃহৎ মঙ্গল কামনা কৰিব। এই প্ৰতিস্থান কৃষি বিভাগতো কামত লাগিব।

ইয়াৰ পিচত, মই চৰকাৰক এই কথাও নিবেদন কৰো যে, আমাৰ যিবিলাক সৰু-সুৰা কুটীৰ শিল্প আছে সেই বিলাক আৰু কাৰ্য্যকৰী কৰিবলৈ সস্তাদামত বিজুলীশক্তি সৰবৰাহৰ ব্যৱস্থা কৰিব লাগে। সৰু সৰু শিল্প বিলাক কাৰ্য্যকৰী নহলে অকল বৃহৎ শিল্পই টিকি থাকিব নোৱাৰে। এই কুটীৰ শিল্পৰ উন্নতিৰ কাৰণে যি চৰকাৰী অৰ্থ বিতৰণ কৰা হয়---তাৰ পৰিমাণ কম হৈছে আৰু যিখিনি বিতৰণ কৰা হয় তাকো সময় মতে নাপায়। এই বিলাক পাওঁতে পাওঁতে ৪।৫ বছৰ লাগি যায়। আশা কৰো এই কাৰ্য্য চৰকাৰে দক্ষতাৰে চলাব। আমাৰ গোলাঘাট অঞ্চলৰ ৰাইজৰ এই দুৰৱস্থা হৈছে আৰু -ইয়াৰ মোচন কামনা কৰা হল। Weaving আৰু Sericulture বিভাগেও যেন এনে ধৰণেৰে আচনি লয় যাৰ দ্বাৰা এই বিলাক শিল্প তিষ্ঠি থাকিব পাৰে। এই পথত নতুন দিজাইন, স্থায়ী ৰং উল্লেখ যোগ্য। নহলে বজাৰৰ বস্তৰ লগত ই ফেৰমৰা টান হব।

তাৰ পিচত, খাদ্য সমস্যা সমাধানৰ কাৰণে অধিক শস্য উৎপাদন অভিযোগত চৰকাৰে পুনৰ মনোনিবেশ কৰিব লাগে আৰু কৃষক সকলক খেতিৰ কাৰণে উপযুক্ত মাটি আৰু খেতিৰ আহিলা-পাতি ক্ষেত্ৰত--যাৰ নাই, তাক যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে। এনে ধৰণৰ চৰকাৰী সহায় হলেহে তেওঁবিলাকে নিজৰ দাৰিদ্ৰতাৰ প্ৰবল হেচা আওকান কৰি, উৎসাহিত হব আৰু বৰ্ত্তমান পৰিস্থিতিত তেওঁলোকৰ উৎসাহ উদ্দীপনা দিয়াই মূল মন্ত্ৰ হৈ পৰিছে। সমবায় কৃষি ক্ষেত্ৰত চৰকাৰৰ প্ৰচেষ্টা প্ৰসংশনীয় যদিও এই বিলাক যেন অকল 'ৰেজিষ্টেচনতেই আবদ্ধ থাকিবলৈ এৰি নিদি ইয়াৰ কাৰ্য্যকাৰীতাৰ দিকলৈ লাক্ষ্য কৰে।

তাৰ পিচত, কৃষিৰ উন্নতিৰ কাৰণে চৰকাৰে যি জল-সিঞ্চনৰ ব্যৱস্থা কৰিছে সি ভালেই হৈছে যদিও এতিয়াও বহুত ঠাই বাকী আছে য'ত এনে ব্যৱস্থা ভালকৈ লোৱাহোৱা নাই। এই ক্ষেত্ৰত বহুতো মথাউৰি খাল দং কৰা হৈছে আৰু অলপ চৰকাৰে বেচি পয়চা খৰচ কৰিলে তাৰ পৰা বেচি কাম পাব বুলি মোৰ বিশ্বাস। এই ক্ষেত্ৰত আৰু এটা কথালৈ মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খোজো যে খেতি কৰিব পৰা মাটি এতিয়াও নোহাৰা নহয়--আৰু সেই বিলাকৰ কোনো জৰীপ ( Survey ) হোৱা নাই। মাটি সমস্যা সমাধান ক্ষেত্ৰত এই জৰীপ কাৰ্য্যলৈ মই আঙুলিয়ালো আৰু তেনে কৰিলে সমস্যাৰ বহু পৰিমাণ সমাধান হব।

তাৰ পিচত, মই বিশেষকৈ শিল্প ক্ষেত্ৰত প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰতিস্থা সম্পৰ্কে কওঁ যে এই প্ৰ তস্থান বিলাক প্ৰত্যেক জিলাৰ মহকুমাতে হোৱা উচিত আৰু বিশেষকৈ সমবায় প্ৰণালীৰ প্ৰশিক্ষণ কেন্দ্ৰ বিলাক বৃদ্ধি হব লাগে আৰু প্ৰতি মহকুমাতে হলে শিক্ষা লোৱাৰ সুবিধা হয় আৰু তাৰ দ্বাৰাই সমবায় বিলাক ভালকৈ গঢ়ি তুলিব পাৰি বুলি আশা কৰিব পাৰি ।

তাৰ পিচত, State Trading বিলাকৰ কথালৈ আহি কওঁযে এই Trading Socitey বিলাক ধান সংগ্ৰহৰ উপৰিও আমাৰ অন্যান্য উৎপাদিত শস্য যেনে, মাছ সৰিয়হ আদিৰো সংগ্ৰহ আৰু বিক্ৰী কৰাৰ সুবিধাৰ ব্যৱস্থা কৰিব লাগে । তেতিয়া হলে ইয়াৰ আচল উদ্দেশ্য সাধিত হব ।

তাৰ পাচত, এটা কথা দেখিবলৈ পাইছো অসমত যিবিলাক উন্নয়ন ব্যৱস্থা আছে তাৰ বাবে কিছুমানৰ সুবিধা হৈছে যদিও কিছুমান পিচ পৰা ঠাই এতিয়াও পিচ পৰি আছে সেই বিলাক ঠাই আগবঢ়াই আনিব লাগে । বানপানীত প্ৰপীড়িত বহুত মানুহ আছে বিশেষকৈ গোলাঘাটৰ উত্তৰ ফালে বানপানীয়ে মানুহক জুৰুলা কৰিলে সেই বিলাক মানুহ অলৈ-তলৈ যাব লগীয়া হৈছে । আমগুৰিৰ মানুহ খাবলৈ নাপাই সুদা পেটে থাকিব লগীয়া হৈছে । কিছুমান মানুহ দৰং পাইছেগৈ কিন্তু তাতো তেওঁলোকক মানুহে থাকিবলৈ নিদিয়ে । তেওঁলোকৰ কাৰণে মাটিৰ কোনো ব্যৱস্থা হোৱা নাই । গতিকে এইবোৰ মানুহৰ সুসংস্থানৰ এটা ব্যৱস্থা হব লাগে । এইবোৰ মানুহে যদি কোনো ঠাইত মাটি যোগাৰ কৰি লয়ও ওচৰৰ মানুহে তেওঁলোকক বাধা দিয়ে বা তেওঁ–লোকক খেদি দিয়ে । শালভনীৰ প্ৰজেক্টত বহুত মাটি আছে আৰু মাটিহীন মানুহে দৰখাস্ত কৰি আছে কিন্তু তাত মাটি দিয়াৰ কোনো ব্যৱস্থা হোৱা নাই । চৰকাৰে এই বিষয়ে চিন্তা কৰি চাব বুলি আশা কৰিলো ।

ফৰেষ্ট বিভাগৰ কথা কবলৈ গলে কাজিৰঙাত যিখন গেম চেংচুৱাৰী আছে তালৈ পৃথিবীৰ নানা ঠাইৰ মানুহ আহে । তাত এজন অভিজ্ঞ game warder ৰখা প্ৰয়োজন । লগতে ইয়াকো কওঁ যে গেমচেংচুৰাৰীৰ বৰ্ত্তমান ব্যৱস্থা সুবিধা জনক হোৱা নাই । চাৰু গাৱঁৰ পৰা ১০ মাইল ৰাস্তাৰ কোনো ব্যৱস্থা নাই । ৰাস্তাৰ কোনো ব্যৱস্থা নোলোৱাৰ কাৰণে ব্ৰহ্মপুত্ৰ পাৰহৈ মানুহে হৰিণ চীকাৰ কৰি নাৱত লৈ যায় । এনে মানুহ ধৰাত এবাৰ ধৰা মানুহ দুজনে মাৰো খাইছিল ।

স্বাস্থ্য বিভাগৰ কাৰ্য্যকলাপো সন্তোষ জনক নহয় । আহঁত গুৰিত এতিয়াও ডাক্টৰ দিব পৰা নাই । তাৰ এজন বেমাৰী ডেৰগাৱঁলৈ গৈ ডাক্তৰক দেখুওৱা কিমান অসুবিধা সেইটো সকলোৱে অনুভৱ কৰিব । কমাৰগাৱঁৰ Subsidise Dispensary ৰ সু-ব্যৱস্থা কৰা হব বুলি মন্ত্ৰী মহোদয়ে প্ৰতিশ্ৰুতি দিছিল কিন্তু আজিলৈকে সেই ডিচপেনচাৰী চৰকাৰে লোৱাৰ ব্যৱস্থা কৰা নাই ।

আজি আমাৰ শিক্ষা ক্ষেত্ৰত সকলো ব্যৱস্থা দিয়া হৈছে—এই বিষয়ে বিশেষ চকু দিছে এইটো সুখৰ কথা কিন্তু যিবিলাক পিচ পৰা ঠাইত এম, ই, স্কুল আছে সেই এম, ই, স্কুল বোৰত কিছুমানে গ্ৰাণ্ট পাইছে আৰু কিছুমানে আজি ৫।৬ বছৰ ধৰি কোনো গ্ৰাণ্ট পোৱা নাই । ইয়াৰ এটা ব্যৱস্থা চৰকাৰে কৰা উচিত ।

***Shri DWIJESH CHANDRA DEB SARMA (Digboi) :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্ৰী মহোদয়ে তেখেতৰ বাজেট ভাষণ আমাৰ ৰাজ্যত সকলো অৱস্থা অবগত কৰি আৰু ভবিষ্যত উন্নয়নমূলক কাৰ্য্যৰ

---

*Spech not coorrected

আচনি বিলাকৰ আভাষ দি যিখন ৰাহি বাজেট সদনত উৎথাপন কৰিলে তাৰ বাবে তেখেতক ওলগ জনাইছো। মই বাজেট সম্বন্ধে বিশেষ আলোচনা নকৰো মাত্ৰ কেইটামান কথাৰ প্ৰতি আঙুলিয়াই দিব খোজো।

অন্যান্য প্ৰদেশৰ তুলনাত শিক্ষা ক্ষেত্ৰত আমাৰ বেচি টকা ধৰিছে আৰু বেচি টকা চৰকাৰে খৰছো কৰিছে আৰু শিক্ষাত আগবঢ়াই নিবলৈ চেষ্টাও কৰা হৈছে কিন্তু এই বিষয়ে কিছুমান আৱশ্যকীয় কথালৈ লক্ষ কৰা নাই। সেই কেইটা বিষয়ৰ প্ৰতি মই দৃষ্টি আকৰ্ষণ কৰিব খোজো।

আজি আমি শিল্পৰ কথা সকলোৰে কব লাগিছো, কিন্তু এই শিল্পবোৰত কি মানুহ লাগিব সেই কথা চিন্তা কৰা নাই। আজি এটাৰ পিচত এটা শিল্প হব লাগিছে কিন্তু তাৰ কাৰণে মানুহ পাবলৈ নাই। শোধনাগাৰৰ কাৰণে আন্দোলন কৰা হল কিন্তু তাৰ বাবে কি শিক্ষাৰ মানুহ লাগিব সেই কথা চিন্তা কৰা নাই। তেল শোধনাগাৰ অসমত আগৰে পৰা আছে; এনে স্থলত আজি লৈকে গুৱাহাটী বিশ্ববিদ্যালয়ত Oil Technology শিক্ষা দিয়াৰ কোনো বন্দৱস্ত কৰা নহল। আজি ভাৰতৰ অন্যান্য বিদ্যালয়ৰ যেনে, মাদ্ৰাজ বিশ্ববিদ্যালয়ত এই শিক্ষা দিয়া হয় আৰু বিদেশলৈকো পঠাই উপযুক্ত কৰি আনিছে। তেওঁ-লোকৰ মানুহ আমাৰ ইয়াত কাম কৰিবলৈ অহাটো বৰ লাজৰ কথা হৈছে। সেই কাৰণে গুৱাহাটি বিশ্ববিদ্যালয়ত Oil Technology পঢ়াবলৈ দিহা কৰিব লাগে।

শিক্ষা ক্ষেত্ৰত বহু টকা খৰচ কৰিছে, কিন্তু ইয়াৰ মান উন্নত হোৱৰ নাই। নানা আঁসোৱাহ বৈ গৈছে। শিক্ষিত লৰা-ছোৱালী বোৰে যি গঢ় লব লাগিছিল, সেইদৰে গঢ় লোৱাব পৰা নাই। গোটেই শিক্ষা ব্যৱস্থাটো বা পৰিচালনা ব্যৱস্থাৰ ক'ত খুত আছে সেইটো গুচাই শিক্ষাৰ মান উন্নত কৰাৰ সময় আহিছে। আজি আমি স্বাধীন হৈছো যদিও ইংৰাজৰ মনোভাৱ ত্যাগ কৰিব পৰা নাই। উদাহৰণ স্বৰূপে কওঁ যে হাইস্কুলৰ শিক্ষকৰ তুলনাত নৰ্ম্মাল পাচ শিক্ষকৰ অবদান কি? মোৰ বোধেৰে নৰ্ম্মাল পাচৰ অবদান যথেষ্ট বেচি। সাহায্য প্ৰাপ্ত হাইস্কুলৰ বেচি ভাগ শিক্ষকেই নৰ্ম্মাল পাচ আৰু ইংৰাজি বাদে সকলো বিষয়ৰ শ্ৰেণী লব লাগে। এই কাম তেওঁলোকে সুচাৰুৰূপে পালন কৰি আছে। গতিকে আজি তেওঁলোকৰ অবদান বেচি। কিন্তু আজি তেওঁলোকৰ কোনো মূল্য দিয়া নাই। আজি তেওঁলোকৰো প্ৰাপ্যৰ পৰা বঞ্চিত কৰা হৈছে। মই চৰকাৰক অনুৰোধ কৰো যাতে তেওঁলোকক উচিত মূল্য দিয়া হয়। আৰু এটা কথা যে এম, ই, আৰু এম, ভি, সম-পৰ্য্যায়ৰ স্কুল আৰু এম, ই, স্কুলৰ হেড মাষ্টৰৰ দায়ীত্ব আৰু এম, ভি, স্কুলৰ হেড্ পণ্ডিতৰ দায়ীত্ব একে। কিন্তু বেতন দুয়োজনে সমান নাপায়। হেড্পণ্ডিতে কম পায় কাৰণ তেওঁ ইংৰাজী নেজানে। মোৰ বোধেৰে তেওঁলোকৰ প্ৰকৃত কাম চায় দাম দিব লাগে।

চিকিৎসা বিষয়তো বহু টকা খৰচ কৰিছে। কিন্তু এটা কাম আজিৰ লৈকে কৰা হোৱা নাই। সেইটো হৈছে প্ৰত্যেক ৰাজ্যতে নিজ নিজ দেশৰ দৰব জাতি কামত লগোৱা হোৱা নাই। অসমত বহু দ্ৰব্য আছে যিবোৰ ব্যৱহাৰ কৰি গাৱঁৰ হাজাৰ হাজাৰ মানুহৰ প্ৰাণ ৰক্ষা কৰিছে, যিবোৰ ইনজেকচনৰ কাম কৰিছে, ব্লাড-প্ৰেচাৰ আৰোগ্য কৰিছে আৰু পেনিচিলেনে কৰিব নোৱাৰা কামো সমাধা কৰিছে। এইবোৰ একোজন বেজৰ বা ওজাৰ লগত থাকে আৰু সেই মানুহজন মৰিলে হেৰায় যায়; কাৰণ অন্য মানুহক নিশিকায়। সেই কাৰণে মই পৰামৰ্শ দিওঁযে ডাক্তৰ, কবিৰাজ, বেজ, আৰু ওজা সকলোকে লৈ এখন গবেষণা কমিটি

কৰিব লাগে। এই কাম হাতত ললে আমি বহুত বিদেশী ঔষধৰ পৰা বেহায় পোৱা যাব আৰু আমাৰ দেশৰ লাভ হব। আয়ুৰ্ব্বেদ চিকিৎসাটো ভালকৈ চকু দিব লাগে। যদিও কলেজ খোলা হৈছে তাত উপযুক্ত শিক্ষা হৈছে বুলি কব নোৱাৰি, কাৰণ উপযুক্ত শিক্ষক নাই আৰু পৰীক্ষাগাৰ নাই। সেই কাৰণে আয়ুৰ্ব্বেদ শিক্ষাৰ উন্নতিৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰিলো।

আয়ুৰ্ব্বেদীক চিকিৎসা—আজি চৰকাৰে আয়ুৰ্ব্বেদীক চিকিৎসাত বিশেষ চকু দিয়া নাই। গুৱাহাটীত এখন মাত্ৰ আয়ুৰ্ব্বেদীক উচচ শিক্ষালয় আছে তাতো উপযুক্ত শিক্ষকৰ কোনো ব্যৱস্থা নাই। আমি জনাত ডাক্টৰে ভাল কৰিব নোৱাৰা বহুতো বেমাৰ কবিৰাজ সকলে ভাল কৰিছে। এই বিষয়টোত গুৰুত্ব দিবলৈ মই চৰকাৰক অনুৰোধ জনালো।

বন বিভাগ—আমাৰ বন সমূহৰ মাজে মাজে কিছুমান গাওঁ গঠন কৰিছে চৰকাৰৰ উদ্দেশ্য হল সেই লোক সকলক বন উন্নয়ন আদি কামত কম সময়তে নিয়োগ কৰিব। কিন্তু দেখা যায় চৰকাৰৰ কামৰ সময়ত সেই লোক সকলক পোৱা নাযায়; তেওঁলোকে বন বিভাগৰ মাটিতে খেতি বাতি কৰি কমখাজনাতে মাটি আবাদ কৰি জিবিকা নিৰ্ব্বাহ কৰে। যদি সেয়ে হয় তেন্তে চৰকাৰৰ উদ্দেশ্যও সিদ্ধি নহয়, ৰাজহো নাপায়। গতিকে এই ধৰণে কিছুমান লোকক উপযুক্ত সুবিধা দিয়া হৈছে। সেই কাৰণে মই ভাবো যে, সেই মাটিত নিয়ম মতে খাজনা বহুৱাই মাটি পট্টন দিলে চৰকাৰৰ ৰাজহ বাঢ়িব।

আনফালে আমাৰ Forest ৰ উন্নতি হব লাগে। বহু ঠাইত Deforestation হৈছে; লগে লগে সুবিধা মতে forestation ও হব লাগে। নহলে নানা ফালৰ পৰা হাহাকাৰ হব। আন এটা কথা হল যে আজি পৰিকল্পনাৰ পিনৰ পৰা হব লগা বহু অনুষ্ঠানৰ বাবে আৱশ্যক পৰিমাণে কাঠ নাপায়। কিয় নাপায় কব নোৱাৰো। Royalty দিলেও কাঠ পোৱা নাযায়। মই চৰকাৰৰ দৃষ্টি আকৰ্ষন কৰো যাতে আৱশ্যক মতে কাঠ পায় তাৰ ব্যৱস্থা কৰে।

**Shri LALIT KUMAR DOLEY (Parliamentary Secretary)**: On a point of clarification, Sir, I want to draw the attention of my hon. Friend Shri Sarma regarding the issues of permits and in this connection I may inform the House that we have been very much liberal in issuing of permits but as the number of demands for such permits is increasing and while at the same time Government is trying to exercise a policy of restriction now after deforestation of a large number of forest, Government is now being faced with a dilema. In fact we have been very liberal in granting permits so far Libraries and such other social institutions are concerned but the demands for permits are increasing by leaps and bounds and if we are to issue permits indiscriminately, perhaps within a few years all the forests will be depleted. So from this point of view, I hope the hon. Member will also understand that we have got to do some restrictions in issuing permits for trees. I want also to refer to the points raised by my friend Shri Khagen Nath.

(*Voice* Please speak later on—let the hon. Member continue his speech).

***Shri DWIJESH CHANDRA DEB SARMA (Digboi) :** মহোদয়, অন্ততঃ যিবিলাক ঠাইত Deforestation কৰিব লগা হয় তাৰ কাঠবিলাক Royalty লৈ অনুষ্ঠান বিলাকক দিব পাৰে।

মদ, কানি নিবাৰণী প্ৰথা---আজি নিবাৰণী প্ৰথা প্ৰবৰ্ত্তন কৰা কাৰণে মই চৰকাৰক সাদৰে অভিনন্দন জনাইছো। কিন্তু বৰ দুখৰ বিষয় যে এতিয়াও কিছুমান ঠাইত যেনে ডিব্ৰুগৰ, চাবুৱা আদি অঞ্চলত কানি চলি থকা কথা সকলোৱে জানে। আমি জানো যে, কানীয়াসকলে কানি নাখালে বেমাৰ হয় বোলাত বিনা পইচাত তেওঁ-লোকৰ কাৰণে চিকিৎসাৰ ব্যৱস্থা কৰি দিয়া হৈছিল। কিন্তু চিকিৎসকৰ অভাবত সেইটো হোৱা নাই।

বিশেষকৈ টিৰাপ অঞ্চলৰ জনজাতীয় লোকসকলে কানি বন্ধ কৰিব নোৱাৰে। তাৰ কাৰণে তেওঁলোকৰ বহুতো লোক দুৰ্ব্বল হৈ আহিছে। সেই দেখি, বিশেষকৈ ডিব্ৰুগড় টিৰাপ সীমান্তৰ চিকিৎসাৰ ব্যৱস্থা অতি সোনকালে হব লাগে। মদখাই মানুহ মৰা শুনা নাই কিন্তু কানি খালে লাহে লাহে ধ্বংস হৈ মৰি যায়। পিচপৰা সম্প্ৰদায়ৰ মাজত কানি চলি থাকিলে দেশৰ উন্নতি কেতিয়াও হব নোৱাৰে। গতিকে চৰকাৰে সেই মৰ্ম্মে যথেষ্ট ব্যৱস্থা কৰিব বুলি আশা কৰো।

ৰাস্তাঘাট ও চিকিৎসা---পিচপৰা অঞ্চলবিলাকত যিদৰে ৰাস্তাঘাট হবলাগে বহুঠাইতে তেনেদৰে হোৱা নাই। মৰাণ, মটক আদি অনুন্নত লোকেৰে ভৰপুৰ ৫ খন মৌজাত এটাও ৰাস্তা নাই। ইয়াৰ উপৰিও প্ৰায় ১৫০ বৰ্গ মাইল জুৰি এটাও ডাক্টৰখানা নাই। আজি ৩ বছৰে আবেদন নিবেদন কৰি থকা স্বত্বেও আজিলৈকে এখন ডাক্টৰখানা নহল। কিছুমান ঠাই এনেকৈ পিচ পেলাই থলে আমাৰ ৰাজ্যৰ উন্নতি হব নোৱাৰে।

সেই কাৰণে সেই ঠাই বিলাকত যাতায়াতৰ কাৰণে যেতিয়ালৈকে গড়কাপ্তানী বিভাগৰ তৰফৰ পৰা আবশ্যকীয় ৰাস্তা নোহোৱালৈকে, গৰু গাৰী আৰু মানুহ অহা যোৱা কৰা ৰাস্তা গাৱঁলীয়া মানুহে Self-help আঁচনিৰ সহায়ত কৰি লবলৈকে গাঁও উন্নয়ন বিভাগত এটা আচুতীয়া পজিৰ ব্যৱস্থা চৰকাৰে কৰি দিবলৈ মই অনুৰোধ কৰিলো।

পানী যোগান :—ডিগবইখন Oil field বুলি প্ৰখ্যাত। টাউনখন অতি লেতেৰা। খোৱা পানীৰ ব্যৱস্থাও অতি শোচনীয়। চাৰিশ চাৰে চাৰিশ ফুট খন্দিলেও পানী নোলায়। তাৰ পিচতো পাম্প্ আদিৰ দৰ্কাৰ হয়। চৰকাৰে অকলে তাৰ পানীৰ ব্যৱস্থা কৰিব লাগে বুলি মই নকও। কিন্তু ৰাইজৰ ধৰণীৰ লগতে কিছু সহায় কৰি জনসাধাৰণক কিছু উৎসাহ দিব বুলি মই আশা কৰো।

***Shri RUPNATH BRAHMA (Minister Medical) :** তাত Town Committee আছে নে নাই ?

***Shri DWIJESH CH. DEB SARMA:** তাত Town Committee নাই।

যানবাহন---তাৰপিচত মই যানবাহনৰ কথা কওঁ---যানবাহনৰ ৰাস্তা জাতীয়কৰণ কৰিলে চৰকাৰৰো লাভ আৰু মানুহৰো সুবিধা হয়। কিন্তু ডিব্ৰুগড়ৰ পৰা চৈখোৱালৈ সেই লাইনটো চৰকাৰে লও লও কৰি সেই চোৱাত ভাল ৰাস্তা থকা স্বত্বেও আজিলৈকে চৰকাৰে সেই ৰাস্তা নোলোৱাত মানুহৰ যথেষ্ট কষ্ট হৈছে। সচাকৈয়ে যদি চৰকাৰে লব নোৱাৰে তেন্তে যাতে Private Busয়েই বেচিকৈ চলে তাৰেই ব্যৱস্থা কৰিব লাগে।

---

*Speech not corrected.

গৃহ নিৰ্ম্মাণ আচনি—গৃহ নিৰ্ম্মান আদিৰ কাৰণে চৰকাৰে টকা খৰচ কৰিছে। আজি চৰকাৰৰ যিসকল চাকৰীয়াল সদাসৰ্ব্বদায় Transfer ত নানা ঠাইত যাবলগীয়া হয়, সেইসকলে হঠাতে লৰা-ছোৱালী লৈ গৈ থাকিবৰ ঘৰ নাপায়। ফলত তেওঁলোকৰ গুৰুত অসুবিধা হয়। নতুন ঠাইত গৈ ক'ত উঠিব কব নোৱাৰে। তেনেস্থলত তেনে ধৰণৰ চাকৰীয়ালৰ কাৰণে চৰকাৰে ঠায়ে ঠায়ে কিছুমান চৰকাৰী ভাৱা ঘৰ সাজিলে সেই চাকৰীয়াল সকলো গৈ তাত থাকিব পাৰে আৰু চৰকাৰেও তাৰ পৰা ঘৰ ভাৰা পাব। সেই কাৰণে এটা পৰিকল্পনা কৰি বিভিন্ন ঠাইত কিছুমান চাকৰীয়ালৰ কাৰণে ঘৰনিৰ্ম্মাণ কৰাৰ ব্যৱস্থা কৰিব বুলি মই ভাবো।

মহোদয়, টিৰাপ ট্ৰেন্সফাৰ্ড এৰিয়াটো এতিয়া ৰাজ্যিক চৰকাৰৰ অধীনত আৰু ইয়াৰ সৰ্ব্বতো প্ৰকাৰৰ উন্নতি হকে—ৰাজ্যিক চৰকাৰে—বিধান কৰিব লাগে। ইয়াৰ মানুহবিলাকৰ আৰ্থিক, সামাজিক অবস্থা অতি শোক লগা আৰু এই অঞ্চলৰ উন্নয়নৰ হকে আচনি নোলোৱা হেতু ইয়াৰ মানুহ বিলাক অসন্তোষ্ট হৈ পৰিছে।

তাৰ পিচত মই কওঁ যে আমাৰ ৰাজ্যত Technical Education ব্যৱস্থাৰ অভাৱ আৰু ইয়াৰ ফলত Technicians আৰু Artisans ৰ অভাৱ। ডিব্ৰুগড় মহকুমাত চাহ শিল্প, তেলৰ পুং আৰু কয়লাৰ খনি আদি নানা ধৰণৰ শিল্পৰ কাৰণে তিনচুকীয়া ডিগবই আৰু ডিব্ৰুগড়ত বিভিন্ন ধৰণৰ শিল্প গঢ়ি উঠাৰ সম্ভাৱনা থকা স্বত্তেও কাৰিকৰী মানুহৰ অভাৱত সেই বিলাক গঢ়ি উঠিবপৰা নাই। এই বিলাক চিন্তা কৰি চৰকাৰে ডিব্ৰুগড়ত টেকনিকাল শিক্ষাৰ কাৰণে ব্যৱস্থা কৰা উচিত আৰু আজি পৰ্য্যন্ত তাত এটা টেকনিকাল স্কুল নাপাতিলে। এই বিলাক শিক্ষা নুষ্ঠান নহলে লৰা-ছোৱালীয়ে শিক্ষা পাব কব পৰা? ডিব্ৰুগড়ৰ প্ৰতি চৰকাৰ ইমান উদাসীন মনোভাৱ কিয় বুজি নাপাওঁ। অতি সোনকালে ডিব্ৰুগড়ত টেকনিকাল স্কুল এটা খুলিবলৈ চৰকাৰক অনুৰোধ জনাওঁ।

মহোদয়, মই আৰু বেচি সময় নকওঁ সৰ্ব্বশেষত মই ইয়াকেই চৰকাৰৰ ওচৰত নিবেদন কৰি অনুৰোধ জনাওঁ যেন ডিব্ৰুগড় মহকুমাৰ পিচপৰা অঞ্চল সমূহৰ উন্নতিৰ কাৰণে বিশেষ ব্যৱস্থা যেন চৰকাৰে লয়। ইয়াকে কৈ মোৰ বক্তব্য সামৰিলো।

**Shri TARUN SEN DEKA (Nalbari—West) :** অধ্যক্ষ মহোদয়, বাজেটৰ এক কোটি ১ লাখ ৫২ হাজাৰ টকা উদবৃত্ত কৰি আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই গৰ্ব্ববোধ কৰিছে আৰু তাৰ দ্বাৰা বিচৰা হৈছে যে আমাৰ দেশ খন চহকী বুলি। যোৱা বছৰো এইদৰেই উদবৃত্ত বাজেট দাঙি ধৰা হৈছিল। দেখা যায় ভাৰতৰ প্ৰায় বোৰ ৰাজ্যৰে আৰু স্বয়ং কেন্দ্ৰীয় চৰকাৰৰো বাজেট ঘাটি অথচ আমাৰ বিত্তমন্ত্ৰীয়ে ৰাহি বাজেট দেখুৱাই কেনেকৈ গৌৰৱ বোধ কৰিব পাৰে বুজি নাপাওঁ। সিদিনা মই এচেম্ব-লীৰ পৰা কিবা কাৰণত ঘৰলৈ যাওঁতে বাটত বহুতে মোক সুধিছে অসমত যে ৰাহি বাজেট হল তাৰ মানে অসম চৰকাৰে টকা খৰচ কৰিব নোৱাৰে নে নেজানে? অথবা যিবিলাক আচনি হাতত লৈছে সেই বিলাক কাৰ্য্যকৰী কৰিব নোৱাৰে নেকি? মোৰো ধাৰণা, চৰকাৰে ৰাহি বাজেট দাঙি ধৰি নিজৰ আচনি হীনতাৰ আৰু ব্যথতাৰ পৰিচয় দিছে। আমাৰ ৰাজ্যৰ হেজাৰ হেজাৰ মানুহে যেতিয়া আধাপেটে থাকে, স্কুল ৰাস্তা, ডাক্তৰখানাৰ কাৰণে টকা খুজিলে যেতিয়া টকা নাই বুলি কোৱা হয়, তেনেস্থলত ৰাহি বাজেট দেখুৱাৰ কাৰণ কি? এহাতে ৰাহি বাজেট আৰু আনহাতে জন-সাধাৰণৰ ক্ৰমবৰ্দ্ধমান দাৰিদ্ৰতা এই দুটাৰ সমাঞ্জস্য ক'ত। মিজো পাহাৰৰ জনসাধাৰণৰ দুখ দুৰ্গতিৰ অবসান ঘটাবলৈ চৰকাৰৰ আৰ্থিক সাহায্য আৰু ধান চাউল যোগান ব্যৱস্থাৰ কথা ৰাজ্যপালৰ ভাষণত বিশেষ ভাৱে উল্লেখ যোগ্য। মিজো পাহাৰৰ ভাই-ভনী সকলৰ

দুৰ্দ্দিনত আমিও উদ্বেগ বোধ কৰিছো। ইয়াৰ লগতে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি কওঁ যে কাছাৰৰ দক্ষিণ হাইলাকান্দি অঞ্চলৰতাৰ ৰং ঠেং, তিপেৰ আদি পাহাৰীয়া ট্ৰাইবেল অঞ্চল বিলাকৰ ধান বিলাক এন্দুৰে খাই পেলোৱাৰ পিচটো চৰকাৰে কোনো ব্যৱস্থা এতিয়ালৈকে তেওঁলোকৰ ৰিলিফৰ কাৰণে লোৱা নাই।

মই এই বিষয়ে এখন টেলিগ্ৰাম পাইছো-----

"All jum crops South Hailakandi damaged by rats stop Nri Ang Ranghal tiprah and other Tribes verge of starvation demand immediate Food relief Agricultural loan extend scope jum cultivation"

(টেলিগ্ৰাম পঢ়ে আৰু লাইব্ৰেৰী টেবুলত দিয়ে।)

মহাশয়, গবৰ্ণৰৰ ভাষণত এটা বিষয় উল্লেখ কৰিছে যে বিৰোধী দলৰ দলপতীৰ নেতৃত্তত মিজো পাহাৰৰ দুৰৱস্থা অনুসন্ধানৰ কাৰণে দুজনীয়া কমিটি গঠন কৰিছে—কিন্তু মই ভাবো দুজনৰ দ্বাৰা কমিটি নকৰি আৰু সৰহ মানুহৰ কমিটি হব লাগিছিল। মোৰ নিজৰো মত দুৰ্দশাগ্ৰস্ত মিজো ভাই-ভণী সকলৰ বাবে কাম কৰিবৰ ইচ্ছা আছিল গতিকে কমিটিত যদি আৰু মানুহ লয় তেন্তে ময়ো তাৰ ভিতৰত সোমাব খোজো অকল মিজো পাহাৰেই নহয় তাৰ ওচৰৰ কাছাৰৰ হাইলাকান্দি আদিত যি অৱস্থা সৃষ্টি হৈছে তালৈকো বিশেষ দৃষ্টি দিয়া প্ৰয়োজন। এতিয়া মিজো পাহাৰলৈ যোৱাৰ বাবে free entrance নাই। এখন ৰাজ্যৰ ভিতৰত এখন জিলাৰ পৰা আন এখন জিলালৈ যোৱা বন্ধ ৰখাটো অ-সংবিধানিক কথা। এইটো উঠাই দিব লাগে। আমাৰ পাহাৰ ভৈয়ামৰ সমিল-মিল ৰাখিবলৈ হলে এনে ধৰণৰ বাধা ৰখাটো যুক্তি যুক্ত নহয়। তদুপৰি বৰ্ত্তমান মিজো ভাই সকলৰ এনে দুৰবস্থাৰ সময়ত সকলোকে সহযোগীতা কৰিবলৈ সুবিধা দিব লাগে।

বিত্তমন্ত্ৰীয়ে তেখেতৰ ভাষণত ১৯৫২।৫৩ চনত বস্তুৰ দাম যিমান আছিল তাতকৈ বৰ্ত্তমান বছৰত অক্টোবৰত শতকৰা ১২০ ভাগলৈ বৃদ্ধি পায় বুলি আৰু সেই দাম ক্ৰমে কমি ডিচেম্বৰৰ মাহত শতকৰা ১১৭ ভাগ অৰ্থাৎ ৩ ভাগ কমি গৈছে বুলি ভাষণত সন্তুষ্টি প্ৰকাশ কৰিছে। কিন্তু ইয়াত সন্তোষ পাবৰ কি আছে? বাৰিষা কালত যোগা-যোগ, যাতায়ত আৰু যোগানৰ অসুবিধাত বস্তুৰ দাম বাঢ়ে আৰু সাধাৰণতঃ খৰালীত কমি যায়। দাম কমাত চৰকাৰৰ নিজা কৃত্তিত্ব কি আছে?

বিত্তমন্ত্ৰীয়ে উদ্বেগ প্ৰকাশ কৰিছে যে এপ্ৰিল মাহত ২০ হাজাৰ নিৰনুৱাৰ নাম Employment Exchange ত Register হৈছে, অক্টোবৰত তাৰ সংখ্যা ৩৪ হাজাৰ পাইছেগৈ। কিন্তু মই কওঁ যে ৩৪ হাজাৰ কিয় তেনেকুৱা কিমান ৩৪ হাজাৰ নিৰনুৱা ডেকা আছে যাৰ নাম এতিয়াও ৰেজিষ্টাৰ হোৱা নাই। এই সমস্যাৰ কাৰণে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। আৰু এটা কথা কোৱা হৈছে দ্বিতীয় পৰিকল্পনাত যি employment target আছিল তাৰ ১।৩ মাত্ৰা পুৰা হৈছে গতিকে দেখা যায় চৰকাৰৰ ঘোষিত নীতি মতে কাম হোৱা নাই। এই সমস্যা দূৰ কৰিবলৈ হলে খুব তীব্ৰগতিত industrial development হব লাগে খৰতৰ গতিত নতুন নতুন শিল্প বোৰ গঢ়ি উঠিব লাগে।

বিত্তমন্ত্ৰী মহোদয়ে পঞ্চায়ত শাসনৰ ভিতৰেদি শাসনৰ গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণ কৰাৰ কথা কৈছে। ১৯৪৮ চনতে যি খন পঞ্চায়ত আইন ৰচনা কৰা হৈছিল তাত গাওঁ অঞ্চলৰ ৰাইজক বহু বিষয়ৰ ক্ষমতা দিয়াৰ কথা কোৱা আছিল কিন্তু কাৰ্য্য ক্ষেত্ৰত সেইটো হৈ নুঠিল বিশেষকৈ বিচাৰৰ ক্ষমতা দিয়া নহল। এতিয়াও নতুন পঞ্চায়ত আইনৰ দ্বাৰা বিকেন্দ্ৰীকৰণ কৰাৰ কথা কৈছে। তাত আমাৰ অলপ সন্দেহ উপজিছে যে সচাকৈয়ে, ৰাইজৰ হাতত আইন খনত উল্লেখ কৰা সকলো ক্ষমতা দিয়া হব নে নহয়? গাওঁ-পঞ্চায়তক ৰাজহৰ ১৫ ভাগ দিয়াৰ ব্যৱস্থা কৰিছে কিন্তু মই ক'ওঁ কম পক্ষেও ৫০ ভাগ হব লাগে। তেতিয়াহে ৰাইজে গঠনমূলক কাম কৰিব পাৰিব। এতিয়া যিটো voting system আছে তাৰ ঠাইত secret voting হোৱাহে বাঞ্চনীয়। শিল্প অঞ্চলৰ প্ৰায় কুৰিলক্ষ লোক এই আইনৰ সুযোগৰ পৰা বঞ্চিত। প্ৰয়োজন অনুসৰি সংশোধন কৰি হলেও তেওঁলোকক এই আইনৰ সুযোগ দিব লাগে। তাৰ পাচত ষষ্ঠ অনুসূচীত অঞ্চলৰ ভাইভণী সকলৰ কথা চিন্তা কৰা উচিত। এই অঞ্চলত কোনো লিখিত আইন হোৱা নাই-- যাৰ ফলত কেৱল প্ৰচাৰিত ৰীতি নীতিয়ে প্ৰভাব বিস্তাৰ কৰে। মই ভাবো বৰ্ত্তমান যুগত তেখেত সকলৰ কাৰণে লিখিত আইনৰ প্ৰয়োজন। আমাৰ সদনৰ পৰা কোনো আইন প্ৰণয়ন কৰি পাহাৰী অঞ্চলৰ ভাইভণীৰ ওপৰত জাপি দিব নোৱাৰে। বৰং তেওঁলোকৰ স্বতন্ত্ৰ ৰীতি-নীতি, সংস্কৃতি আদিৰ আচুতীয়া সংৰক্ষণৰ বাবে সংবিধানে তেওঁলোকক অধিকাৰ দিছে। মই ভাবো পঞ্চায়ত আইনৰ দৰে কোনো আইন ৰচনা কৰিবলৈ জিলা কাউনচিলক এই সদনে অনুৰোধ কৰিব পাৰে কিম্বা প্ৰয়োজন হলে আমাৰ পঞ্চায়ত আইনখনকে সংশোধন কৰি তাতে প্ৰয়োগ কৰাৰ কাৰণে অনুৰোধ কৰিব পাৰে। কিন্তু মনকৰা প্ৰয়োজন যাতে তেওঁলোকৰ নিজস্ব ৰীতি নীতি ৰক্ষা পৰে। পাহাৰী অঞ্চলৰ দুখীয়া ভাইভণী সকলক এতিয়াও নেতৃস্থানীয় কিছুমান মানুহে শোষণ আৰু দখল কৰি আছে।

বানপানী নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰীয়ে উত্তৰ কামৰূপত বন্ধা কেইটা মান বান্ধৰ শতকমা হিচাব সদনত দিছে - কিন্তু মই খবৰ কৰাত গম পাইছো যে কাম সেইদৰে হোৱা নাই। এতিয়া বাৰিষা আহিব ধৰিছে। দ্ৰুত গতিত কাম শেষ কৰিব নোৱাৰিলে পিচত তাৰ পৰা বিশেষ লাভ নহব। কেন্দ্ৰীয় চৰকাৰে বহু কোটি টকা খৰচ কৰি ভাক্ৰাৰ দৰে বিৰাট কাম কৰিব পাৰিছে, অথচ আমাৰ ইয়াত সৰু সৰু নদী বোৰতে বান্ধ দিব পৰা নাই। এই নদী বোৰত বান্ধ দি কৃষিৰ উন্নতিৰ সাধন কৰাৰ লগতে অন্যান্য কামতো ব্যৱহাৰ কৰিব লাগিব। মই উদাহৰণ হিচাবে কব পাৰো যে উত্তৰকামৰূপত বহুবোৰ নদী আছে যিয়ে বানপানী সৃষ্টি কৰে আৰু বছৰি বিৰাট পৰিমাণৰ সা-সম্পত্তি কৰে। এই নদীবোৰক গুৰিতে বান্ধ তৈয়াৰ কৰি আৰু নলিৰ বন্দোবস্ত কৰি নিয়ন্ত্ৰণ কৰিব পাৰি। তেতিয়া তাৰে পৰা বহু পৰিমাণৰ বিজুলী শক্তি ওলাব, আৰু লগে লগে শিল্প বিস্তৃতিতো সহায় হব। প্ৰকৃত কাম নকৰি কেৱল বক্তৃতা দিলেই নহয়।

Subsidised dispensary কেনে ধৰণৰ চিকিৎসা কেন্দ্ৰ কব নোৱাৰো। কোনো মানুহেই ইয়াৰ পৰা উল্লেখ যোগ্য উপকাৰ পোৱা নাই। বহুতো কেন্দ্ৰত দৰবকে পাবলৈ নাই। পৰিকল্পনা মতে অসম দেশত বহুত হস্পিতাল হোৱাৰ কথা। গতিকে এই subsidised dispensary বোৰ চৰকাৰেযে লৈ পেলাব লাগে। আৰু অন্যান্য চৰকাৰী ডাক্তৰখানাৰ পৰ্য্যায়ত অনতি বিলম্বে উন্নীত কৰিব লাগে।কোনো কোনো ঠাইত যান বাহনৰ চৰকাৰী ব্যৱস্থা হৈছে। কিন্তু তাৰ অৱস্থাৰ কোনো উন্নতি দেখা হোৱা নাই। গাৰী বোৰৰ অৱস্থা শোচনীয়। বৰষুণৰ দিনত বাহিৰত বৰষুণ পৰাৰ লগে লগে গাৰীৰ ভিতৰটো পানী পৰে। ষ্টেচনৰ অৱস্থাও লাজ লগা। আনকি ছিলং মটৰ ষ্টেচনৰ অৱস্থা দেখিলেই দুখলাগে। তাত পেচাপ কৰিবৰ ভাল ঠাই নাই, বহিবৰ ব্যৱস্থা নাই। ইয়াৰ পৰা আধা ফাল'ং দূৰ। সদস্য সকলে আৰু মন্ত্ৰীয়েও নিশ্চয় দেখিছে মন্ত্ৰী মহোদয়ৰ চকুৰ আগতে কিয় এনে অৱস্থা হবলৈ পাইছে।

উত্তৰ কামৰূপ লাইনটো নলবাৰীৰে-বৰপেটালৈকে চৰকাৰে লব লাগে বুলি ৰাইজে দাবী কৰি আহিছে। ব্যক্তিগত মটৰ মালিক সকলে তাত মটৰ চলাই লাখ লাখ টকা লাভ কৰিছে। চৰকাৰে ললে সেই লাভ চৰকাৰৰ হব তথা ৰাইজৰ হব। গতিকে চৰকাৰে অনতি বিলম্বে এই লাইনটো লব লাগে।

ভূমি সংস্কাৰৰ কথা বহু দিনৰে পৰা কোৱা হৈছে অথচ কামত আগবঢ়া হোৱা নাই। "পুৰণি মদকে নতুন বটলত" ৰখাৰ দৰে ৰখা হৈছে বুলি কব পাৰি। এই ভূমি সংস্কাৰৰ নামত মাত্র খেতিয়কক উচেছদ কৰাহে দেখিছো। এইদৰে খেতিয়ক ৰাইজক উচেছদ কৰিলে ৰাইজৰ সহযোগিতা পাব কেনেকৈ? খেতিয়কৰ লগতে সহযোগ নহলে ভূমি সংস্কাৰ কেনেকৈ কৰিব বুজি নাপাওঁ, কাৰণ আচল কথাটো খেতিয়কহে জানে ক'ত V.G.R. আৰু P.G.R. ৰাখিব লাগে কিমান অবসৰ মাটি আচুতিয়াকৈ ৰাখিব লাগে। এই নীতি চৰকাৰৰ দুৰ্ব্বলতাৰ পৰিচায়ক মাত্র। নহলেনো মিকিৰ পাহাৰৰ নিৰ্দোষী খেতিয়কক গুলি কৰি হত্যা কৰা হয়নে? আমাৰ ৰাজহ মন্ত্ৰী প্ৰগতিশীল আৰু বাস্তৱবাদী নহয়। তেখেতে কোনো কথাৰ জবাব দিবলৈ হলে মাত্ৰ লিখিত আইন খনৰ কথাহে উল্লেখ কৰে। বাস্তৱ ক্ষেত্ৰত কামৰ কোনো progress নাই। সেই কাৰণে মুখ্যমন্ত্ৰীক অনুৰোধ কৰিছো যে প্ৰগতিশীল আৰু বাস্তৱবাদী লোকক এই দায়িত্ব দিয়া উচিত যাতে প্ৰকৃত সংস্কাৰৰ ফালে আগবাঢ়িব পৰা যায়।

শিল্প বিস্তাৰৰ কথা কোৱা হৈছে। কিন্তু কেই কেইটানো উল্লেখযোগ্য শিল্প প্ৰতিস্থা হৈছে। শিল্প প্ৰতিস্থাৰ নামত উমট্ৰু আৰু উমিয়ামৰ কথা বাৰে বাৰে কোৱা হয়। তাত বাহিৰে কি কৰা হল। শিল্প মন্ত্ৰীৰ ওচৰলৈ কেইবাটাও পাৰ্টি গৈছে সৰু, সৰু শিল্প কেতবোৰ প্ৰতিষ্ঠাৰ লাইচেন্স বিচাৰি। কিন্তু লাইচেন্স দিয়া হোৱা নাই। মই ভাবিছিলো এই বিভাগৰ মন্ত্ৰীজনা প্ৰগতিশীল আৰু কামৰ মানুহ। তেখেতে বিদেশতে ভ্ৰমণ কৰিছে—দূৰদৰ্শিতাও আছে। কিন্তু কামত ওলোটাহে।

আমি শুনিছিলো যে ধানকলৰ লাইচেন্স বন্ধ কৰিছে। কিন্তু উত্তৰকামৰূপত কেইবা জনো লোকে লাইচেন্স পাইছে।

**M. MOINUL HAQUE CHOUDHURY (Minister, Agriculture):** কোন মানুহে পাইছে কব পাৰিবনে?

**Shri TARUNSEN DEKA (Nalbari-West):** অজিত চাৰিয়া, গণেশ অইল মিল, আৰ, বি, অইল মিল, ধুবুৰী অইল ইনডাষ্টি। গোবিন্দ মিল, আদি।

জনজাতি আৰু অনুসূচীত জাতিৰ কথা বহুত কোৱা হৈছে। সংবিধানৰ ২৭৫ ধাৰাৰ কথাও যথেষ্ট কোৱা হৈছে। বিভাগীয় ডিৰেক্তৰক লগধৰি সুধিছিলো তেওঁলোকৰ কোনো আচনি আছেনে যাৰ দ্বাৰা অনুসূচীত নমঃশূদ্ৰ, কৈবৰ্ত্ত আৰু হীৰা ৰাইজৰ মাজত শিল্প প্ৰতিস্থা কৰি তেওঁলোকক ধংসৰ মূখৰ পৰা ৰক্ষা কৰিব পাৰি। তেওঁলেকে এই সম্বন্ধে কোনো সন্তোষজনক জবাব দিব নোৱাৰিলে।

তাৰ উপৰিও মই জনাওঁ সংবিধানৰ ২৭৫ ধাৰাৰ টকাবোৰ ন্যায়মূলক ভাৱে ভাগ কৰা হোৱা নাই যাতে সকলোৱে সমানভাৱে সুযোগ সুবিধা পাব পাৰে।

গতিকে ইয়াৰ পৰা এইটো বুজা যায় যে, দুখীয়া অনুসূচীত আৰু জনজাতীয় সম্প্ৰদায়ৰ লোকক উন্নত কৰাৰ অৰ্থে চৰকাৰৰ কোনো সুপৰিকল্পিত নীতি নাই। এইলোকসকলৰ ভৱিষ্যতেই বা কি, উন্নতি হব কেনেকৈ,—কব নোৱাৰো। অনুসূচীত আৰু জনজাতীয় লোকৰ সাহায্যৰ কাৰণে টকা আছে; কিন্তু এসাজ খাই এসাজ খাব নোপোৱা লোকসকলে সেই টকা—নাপায়। উদাহৰণত মই গুৱাহাটী মহকুমাৰ কথাকে কওঁ। এই মহকুমাতে তেনে অৱস্থাত পৰি থকা লোকৰ প্ৰায় ২০।২১ খন গাওঁ আছে। তাৰে কেবাখনো বান বিধ্বস্ত অঞ্চলতো পৰিছে।

**Shri LATIT KUMAR DOLEY (Parliamentary Secretary):** অনুসূচীত আৰু জনজাতীয় লোকৰ টকা বিতৰণ সম্পৰ্কে মাননীয় সদস্যই এটা কথা নাজানে। মই সেইটো পৰিস্কাৰকৰি কওঁ যে এই টকা বিতৰণত বিভাগীয় মন্ত্ৰীৰ একো হাত নাই। Advisory Council ৰ উপদেশ অনুসৰীহে টকা বিতৰণ কৰা হয়।

**Shri TARUNSEN DEKA (Nalbari-West):** সেই কাউন্সিলতনো কোন কোন সদস্য? প্ৰত্যেক জিলাৰ Deputy Commissioner ৰ পৰা নিশ্চয় ৰিপোৰ্ট লোৱা হয়। এই ২০ খন গাওঁ বাস্তিয়া, নলবাৰী, হাজো আৰু টিহু এলেকাৰ আছিল আৰু মহকুমা এডভাইচাৰী কাউন্সিলে দুখীয়া অসহায় লোকক ঘৰ বান্ধি দিবলৈ—৪০০ কৈ টকা দিয়াৰ স্থিৰ কৰিছিল। দুখৰ বিষয় কাউন্সিলে নজনাকৈ—দুজনমান প্ৰতিভাশালী লোকে এই সিদ্ধান্তৰ পৰিবৰ্ত্তন কৰা হল।

**Dr. GHANASYAM DAS [North Salmara (Reserved for Scheduled Castes)]:** On a point of clarification. Sir, It was not done in accordance with the rules. They made a severe mistake. Therefore it has to be revised.

আগৰ যি নিয়ম, সেই নিয়ম মতে কৰা নাই—সেইটো Revise কৰাৰ পিচত কৰা হৈছে; এতিয়া Advisory Council ৰ পৰামৰ্শ মতে কৰা হয়।

**Shri TARUNSEN DEKA:** We revised it, whether some interested persons or the Sub-Committee প্ৰাইমেৰী শিক্ষকসকলৰ সম্বন্ধে কবলৈ হলে আমাৰ প্ৰায় সাৰে সোতৰ হেজাৰ শিক্ষক আছে। আমি সকলোৱে জানো যে এই শিক্ষক সকলেই আমাৰ ৰাজ্যৰ তথা আমাৰ জাতিৰ মেৰুদণ্ড। কিন্তু এই শিক্ষক সকলক চৰকাৰে মাজে সময়ে দুই এটা আশা দিয়ে আৰু ওচৰচাপি আহিলে মেকুৰীয়ে নিগনি ধৰাৰ অৱস্থা কৰে। তেওঁলোকক দৰমহাৰ হাৰ দিছে ৫০-৫৫-৬০ টকা লৈ কিন্তু আন আন ৰাজ্যত সেই একে শিক্ষকক দিছে ১৪৫ টকালৈ। আমাৰ প্ৰাইমেৰী শিক্ষক সকলে এতিয়া বিচাৰিছে যে তেওঁলোকৰ allowance টোকে কিছু পৰিমাণে বৃদ্ধি কৰি দিলেই হয়। এই সম্বন্ধে আবেদন নিবেদন জনাইছে। কিন্তু চৰকাৰে তালৈ ভ্ৰূক্ষেপ কৰা নাই।

প্ৰাইমেৰী শিক্ষক সকলৰ দক্ষতা পৰীক্ষাৰ ক্ষেত্ৰতো বহুতো বেমেজালী ঘটিছে ১৯৫৮ চনৰ ১৮।১৯ অক্টোবৰত শিক্ষক বাচনি পৰীক্ষা হয়— পৰীক্ষাৰ খবৰ ১৯৫৯ চনৰ ৩ জুনৰ অসম গেজেটত বাহিৰ হল। সেই অনুসাৰে যিবিলাক শিক্ষকে পাচ কৰিলে এতিয়া হেনো, সেই সকলৰ আকৌ নকৈ পৰীক্ষা লব সেই শিক্ষকসকলে এবাৰ ধাৰ কৰি টকা পইছা খৰচ কৰি গৌহাটীলৈ আহি পৰীক্ষা দিয়ে পাচ কৰিলে—আকৌ সেইবিলাকে পৰীক্ষা দিবলগা হোৱাৰ কি অৰ্থ থাকিব পাৰে কব নোৱাৰো।

সংবিধানৰ ৩৪৫ ধাৰাত কোৱা হৈছে যে ৰাজ্যিক চৰকাৰে যদি বিবেচনা কৰে কোনো ৰাজ্যৰ কোনো ভাষা ৰাজ্যিক ভাষা বুলি ঘোষণা কৰিব পাৰে। ১৭ অধ্যায়ত আমাৰ সম্পূৰ্ণ ভাষা সমস্যা সম্বন্ধে যি আলোচনা কৰিছে সেইমতে আমাৰ ৰাষ্ট্ৰত ভাৰতীয় ভাষা চলিব লাগে ।

আমি দেখিছো, অসম চৰকাৰৰ ওচৰত অসম সাহিত্যসভাই ১৯৫০ চনৰে পৰা দাবী জনোৱা স্বত্বেও আৰু অসমবাসীয়ে সেই দাবী বাৰম্বাৰ পেচ কৰা স্বত্বেও আমাৰ চৰকাৰৰ পক্ষৰ পৰা ৰাজ্যিক ভাষাৰ আজিও সিদ্ধান্ত নোহোৱাটো—বৰ দুখৰ কথা । সিদিনা আমাৰ মূখ্য মন্ত্ৰী ডাঙৰীয়াই সদনত যেতিয়া কলে যে অসমীয়া ভাষা ৰাজ্যিক ভাষা কৰিব লাগিলে সংখ্যালঘু ভাষা ভাষীৰ পৰা সেই দাবী আহিব লাগে । ইয়াৰ অৰ্থ কি বুজি নেপাও । মোৰ মতেৰে এই ধাৰণা অসম্ভৱ আৰু অবৈজ্ঞানিক ।

অসমৰ লোকসংখ্যা প্ৰায় এককোটি ; তাৰে ৬০ৰ পৰা ৭০ লাখ মানুহে অসমীয়াত কথা কয় বা অসমীয়া ভাষা বুজে । মিকিৰ ভাইসকলে অসমীয়া ভাষাত কথা কয় আৰু অসমীয়া বুজে । গাৰো পাহাৰৰ প্ৰায় ২॥ লাখ মানুহৰ ভিতৰত গোৱাল-পাৰা ওচৰৰ নামনি অঞ্চলৰ মানুহে অসমীয়া ভাষা বুজে । কাছাৰত প্ৰায় ১১ লাখ মানুহ আছে । সেই সকলৰ ভিতৰত বাঙালী ভাষা কয় ৮০৫৬১ জন লোকে । মই জনাত তেওঁলোকে যি ভাষা কয় সেই ভাষাৰ লগত অসমীয়া ভাষাৰ বহু বেচি পাৰ্থক্য নাই বুলি কব পাৰি । কাছাৰৰ যি কোনো খেতিয়কক কামৰূপ নাইবা শিৱসাগৰৰ খেতিয়ক এজনৰ ঘৰলৈ নিয়া যায় তেওঁলোকে প্ৰত্যেকে প্ৰত্যেকৰ ভাষা সহজে বজিব পাৰে বঙালী, আৰু অসমীয়া উভয় ভাষাই প্ৰকৃত আৰু সংস্কৃতৰ পৰাই অপভ্ৰংশ হৈছে । ক্ৰিয়া বশেষণ আৰু উচ্চাৰণ ক্ষেত্ৰত মূলতঃ পাৰ্থক্য দেখা যায় । গতিকে কাছাৰৰ যি ৮ লাখ ভাই ভনী আছে তেওঁলোকৰ অসমীয়া ৰাজ্যিক ভাষা হলেও ইংৰাজী ভাষাৰ দৰে সমান অসুবিধা নহয় । ইয়াৰ দ্বাৰা এইটো কোৱা হোৱা নাই যে কাছাৰতো জোৰ জবৰদস্তিকৈ অসমীয়া ভাষা জাপি দিয়া হওক আৰু কাছাৰৰ ভাষাক কোনো মৰ্য্যদা দিয়া নহওক । ই ভুল ধাৰণা । খাচী ভাই ভনী সকলৰ ভিতৰতো টাউনত যিসকল থাকে তেওলোকৰ বহুতে অসমীয়া ভালকৈ বুজে আৰু জানে । আমাৰ এছেম্বলীৰ চাহৰ কেণ্টিনৰ খাচী চাহৰালী জনীয়ে ইমান সুন্দৰ অসমীয়া কয় যে পোচাক নেদেখিলে চিনাই টান । আনফালে ইংৰাজী অসমৰ বহুতো মানুহে নুবুজা স্বত্বেও চৰকাৰী ভাষা হৈয়েই আছে ।

পাহাৰৰ ভাইভনী সকলৰ কাৰণে কিছুদিনৰ কাৰণে এই ভাষা বুজাত অসুবিধা হব আৰু সেই অসুবিধাটো নিদৰিত কাল ক্ৰমত দূৰহব বুলি আশা কৰা যায় । সংখ্যা-লঘূ বাইজৰ ভাষা সংৰক্ষণ কৰা ব্যৱস্থা সংবিধানৰ ৩৫০ ধাৰাত আছেই আৰু তাৰ দ্বাৰাই-- ৰাজ্যিক ভাষা হিচাবে অসমীয়া ভাষা লোৱাত কোনো ৰকমৰ বাধা নপৰে । এনেস্থলত ৬০।৭০ লাখ লোকৰ দাবীয়ে কিয় চৰকাৰে গ্ৰাহ্য কৰিব খোজা নাই মই বজি নাপাও । বিহাৰ অন্ধ্ৰ উত্তৰ প্ৰদেশ পশ্চিমবঙ্গ আদিত ৰাজ্যিক ভাষা গ্ৰহণ কৰা হৈছে—উদাহৰণ স্বৰূপে কব খোজো যে বঙ্গালী ভাষা ভাষাৰ বাহিৰে কি পশ্চিম বঙ্গত অন্য মানুহ নাই-- যাৰ মাতৃভাষা অন্য নিশ্চয় আছে । সেইদৰে মাদ্ৰাজত অন্য ভাষা ভাষীৰ লোক নাইনে ? কাযেই অসমত অসমীয়া ৰাজ্য ভাষা হিচাবে অতি শীঘ্ৰে গ্ৰহণ কৰিব লাগে । মিজো পাহাৰৰ ভাষা, খাচী ভাষা, গাৰো ভাষা, আৰু আৰু কাছাৰৰ জনসাধাৰণৰ ভাষাকো সংবিধানত উল্লেখ কৰা ধৰণে উপযুক্ত প্ৰতিৰক্ষা দিব লাগে । ইয়াৰ দ্বাৰা অসমীয়া ভাষাক—অন্যভাষী লোকৰ ওপৰত জোৰকৈ জাপি দিয়াৰ কথা কোৱা নাই । সকলো ভাষাৰে আত্ম বিকাশৰ সুযোগ থাকিব লাগে শিক্ষা দীক্ষাৰ ক্ষেত্ৰত পূৰা সুযোগ থাকিব লাগে । ৰাজ্যপালৰ ভাষণত ৰাজ্যিক ভাষা সম্বন্ধে কোনো উল্লেখ কৰা নাই আৰু বাজেটতো তাৰ কোনো ইঙ্গিত নাই ।

**Shri SARAT CHANDRA GOSWAMI (Kamalpur)**: I congratulate our Finance Minister for presenting the Budget with a surplus, though it is a nominal surplus. I do not congratulate him as such but I congratulate him for the robust optimism which has been expressed in his Budget Speech. Mr. Goswami, the Leader of the Opposition, on the other day said that the Finance Minister's speech is nothing more than the essay of a school boy. He may say so. I am not touchy about it. But I am afraid he has not gone through its pages or if he has done so he has not done with that robust optimism as to how to tackle the problem, that the country is facing the next year.

Then, Sir, it is funny to find that the Governor's Address was criticized because it was too short and the Finance Minister's speech was criticized because it was too long. So, there should be some amount of measurement a golden mean, as to how to weigh and balance—how many pages there should be in the Governor's Address and how many pages there should be the Finance Minister's speech. It has also been said that the Budget does not give us any indication about the next year's Plan. Though the Budget is a surplus one it is because of the fact that the Government has failed to spend the amount that was allotted under the different heads.

Sir, one thing strikes me in the Budget that is as regards the assessment of the revenue. I find that the share of income-tax that has been shown this year, Rs.1,26,86,000 is the lowest in comparison with the figures for the last five years. I do not know how we can anticipate that the share of income-tax in the coming year will be so less. What strikes me in this connection is that if we want to make the Plan a success, especially the Third Five Year Plan, I suggest that we must somehow increase the revenue of the State. In this regard I reiterate what I said in the last year's discussion on the Budget that Bengal Entry Tax should be demanded by us. This is levied on the tea at the rate of one anna per pound that we send from Assam. This is a very huge sum and the Bengal Government has no moral right to utilize this money. If the Bengal Government does not agree to give us that amount, we should press the Government of India so that tea may be auctioned in Assam and the whole amount credited by the Centre to Assam.

The next point I want to put before the House is that the oil refinery is now established at Gauhati but all the crude oil that we produce here will not be processed in the Gauhati Refinery but huge portion will be sent to Barauni for being processed. This crude oil is the property of Assam and I want to place before the House that our Government should levy a Sales Tax on the crude oil that is produced here but sent outside, this processed oil will then become the property of the Bihar Government. It is the legitimate right and demand of the Government of Assam and the people of Assam that we must have a share of this crude oil. We must levy a Sales-tax on a rational basis and by this way, I hope, a huge amount will be credited to the Revenues of Assam.

**Adjournment**

The Assembly was then adjourned for lunch till 2 P. M.

*After Lunch*

(Deputy Speaker in the Chair)

**Shri SARAT CHANDRA GOSWAMI (Kamalpur)**: Mr. Deputy Speaker, Sir, I was saying about finding ways and means to augment the funds for the Five Year Plan and in this connection I was referring that the West Bengal Entry Tax on tea should be reverted back to Assam. Also in that connection I have said that the carriage tax which Assam Government levied on tea—Cachar and Tripura have been e empted due to distress condition. On this same analogy also we can claim this entry tax from West Bengal. Another point on which I want to make a suggestion is about the Petrol Tax and other petroleum products out of which this State gets a share but the share that is given to Assam out of this tax is a meagre sum till now. As also the sales tax from petrol and other petroleum products is not credited to the common pool out of which this State gets a share. So steps should be taken to see that this State gets its due share from the excise duty on petrol and petroleum products.

Then again Sir, another point I want to refer to in connection with increasing the revenue of the State is that goods traffic as it is now is run by private concerns even on routes which have been nationalised. My point is that along with nationalisation of routes goods traffic should come under the management of the Government. Of course this will affect the business of some persons but for smooth running as well as for having a good revenue for the State, the State Transport Department should examine whether in routes which have been nationalised goods traffic could not be taken over by the State Transport Department. Another thing I want to suggest is that the Government have succeeded in floating a loan from the open market. In this connection I would like to suggest, as has been done recently by the Government of India that we should also have a Prize Bond Scheme ; this will certainly bring a good revenue to the State. Another point I want to suggest is about distribution of petrol and other petroleum products like kerosine, etc. This is now given as a monopoly to some individuals, this distributing agency should be taken over by the State Government. It will not only bring very good revenue to the State but it will also give employment to a large number of our people and it will minimise the problem of unemployment in the State. So I suggest that these points should be carefully examined for augmentation of the revenue of the State.

Then again, it has rather been complained that in spite of the success of the Five Year Plan the per capita income of the people has not increased with it ; at least it has not gone up to the desired extent. In this connection I would point out that we had in the first Plan 21 crores and in the Second Plan 54 crores, that is, in the two Plan we had 75 crores. Out of this we have spent in the works of the Public Works Department in both Wings, .*i.e*, Roads and Buildings Wing and Embankment and Drainage Wings about 14 crores and out of this 14 crores perhaps 80 per cent of it went outside the State because our people is averse to manual labour. In this way the per capita income of the people is not improved. If we do not take advantage of the income that may come to us then certainly it will go out of the State and our people will remain poor, may, they will become poorer day by day. At the same time the gap between expenditure and income is widening and the result will be frustration.

Then, the most important thing for the successful implementation of the Plan is that food prices should be stabilised. If we cannot ensure stabilisation of our food Prices and if our food prices keep on soaring high whatever move we may make for the success of the Plan, it will not bring satisfaction to the People and we will never be able or bring that amount of enthusiasm on our people to participate in the activities of the Plan. Of course in this regard the Government can by statutory rules control the price of paddy, but statutory or State control of the price of paddy alone will not help much if the price of consumer goods and other essential commodities also is allowed to rise every day and the gap will be more widened. So I suggest that the Government should take up with the Government of India so that there may be an integrated price structure of all these commodities. As it has been rightly said the 'army marches on the stomach' similarly, if we want full co-operation from the people for the successful implementation of our Third Five Year Plan, then our people must have sufficient food. For production of food our State Government has spent a huge amount of money but with little result. In this connection I want to point out that we have advanced agricultural loans for different crops but we have not followed up. There is no machinery of Government to follow up whether the loans advanced for specific purposes have been utilised for those purpose or have been diverted to other welfare nonproductive channels. So, along with the advancement of loans there should be some machinery in the administration to see that loans given for specific purposes are utilised for those purposes only.

Then, Sir, another serious problem is the shortage of food. We have got a large number of non-producing consumers and their number will go on increasing along with the industrialisation of the State. Whenever a substantial portion of the population will be diverted to industry they will cases to produce food and, at the same time, they will be consumer of food. Therefore, the agriculturists will have to feed not only themselves but also those persons who are employed in the industrial sector. We all know that the problem of land is becoming more and more acute every day, and therefore, the only solution, to my mind, is to increase the yield from land. In Assam we find that on the average the yield per bigha, especially of paddy, is not more than six months. I know one cultivator, Bolo Chandra Lohar of Rangiya, who even in very difficult times had got an yield of about 27 maunds of paddy per bigha. He has not gone to any agricultural institution ; he was not taught any technical device, but still he had about 27 maunds per bighas But his example is not followed by our cultivator in general. Our Agriculture Department should also try to enthuse the public and the agricultural sector by such example so that yield per bigha per man goes up. I think that is the only solution because land cannot be made available by our wish. As the shortage of land becomes more and more acute we must make land produce more and more.

Then, Sir, so far as Assam is concerned, our agricultural population is more concerned with production of paddy. As a matter of fact, all other items of food, including pulses, etc., come from outside and recently with the increase in freight charges by the Central Government the prices of these commodities, especially of pulses and mustard oil, have gone up very high. So, our Agriculture Department should mobilise our agriculturists so that we can have a substantial portion of these food stuffs produced in our State.

Then, Sir, I want to say a few words about the industrialisation of the State. We have read too much and we have expected too much that by industrialisation the problem of unemployment will be solved. But I don't think so, because industries to-day, especially the major industries. will be highly mechanised and in highly mechanised industries there will be very little scope for manual labour. Therefore, the huge man-power which is without employment in our State—whether in towns or rural areas—this huge army of unskilled labourers—or I may say labourers with little skill will get no employment in major industries. For instance, take the case of the Oil Refinery at Gauhati. What will be the employment potential in this industry ? I came to learn with surprise that when the refinery will go into full production the maximum employment potential will be only 450. So, in the whole of the Assam Oil Refinery, where we expected thousands and thousands of persons to be employed, we are disappointed to learn that only 450 persons will get employment when the refinery is fully developed. Therefore, if we want to find out employment for our youths, we must divert them more to cottage industries. By cottage industries I do not mean simply the traditional cottage industries which we have now. With the change of our taste and our mode of life, the cottage industries have been reorganised and revitalised. Traditional cottage industries have already lost their market, Take for instance the pottery. If the pottery industry is to survive it will have to cater to the taste of the people. The products should be attractive and the prices should be economic. If cottage industries are to succeed they can succeed only by being ancilliary to the large scale industries. Unless they are made ancilliary to the large scale industries the cottage industries will never be self-supporting. We may give loans, we may give financial assistance to develop these industries, but there will be no market for their products. There should be some sort of co-ordination between the products and the market. I, therefore, believe that cottage industries can flourish only if we can make their products ancilliary to the large scale industries. Take for instance the Khadi industry. It is a very good cottage industry. But we find that mills also produce the same quality of cloth. In Assam, particularly, we have got thousands of looms in our houses. For the running of these looms we have to purchase yarn from the mills and make cloth out of it. But we have already given up spinning. It is only in ceremonial centres that some khadi is produced. Similarly, as regards the ghani oil ; this cannot compete with the mill-made oil. In this way we find so many difficulties in the way of smooth running of cottage industries. (The bell rang).

Then, Sir, I want to say a few words about the change of educational system. Now, with the introduction of three year degree course, there will be no intermediate, which is the minimum qualification required for certain posts. For instance, to be a clerk in the Secretariat the minimum qualification is intermediate. To hold many of the subordinate executive posts, say to be an Inspector of Co-operatives, one has to be a graduate. With the introduction of the three year degree course the whole structure of minimum qualification will have to undergo a radical change. I have already submitted a scheme to the Chief Minister on this point. I request Government to examine it because we shall land in difficulties. There will be matriculates coming from the traditional high schools , then there will be matriculates coming from the higher secondary schools after 11th year. Where do we fit in the latter class of pupils ? Whether they should be taken as Intermediate or Matriculates ? If Matriculates, how do we fix their position in the service cadres *vis a vis* the ordinary Matriculates.

In this way, some complications will come up. I think, at this stage, we should try to establish some kind of institute where we can give some sort of training to the ordinary matriculates so that we can utilise them in some specialised jobs. Now I would like to say that as far as education is concerned we have a problem and our problem to-day in the field of education is perhaps the maximum point now. It is now the time to give free education in every school, but in this connection, I may inform the House that side by side with the Middle Vernacular and Middle English schools, we find that in some such schools fees are not charged but in some schools fees are still being charged. I feel that Government should see that this disparity among the different schools does not exist and that all Middle Vernacular and Middle English and aided high schools should be grouped together in the matter of giving free education. Therefore, I suggest that if we are to make the scheme successful, we must make education free up-to class VI at least if not to higher classes, otherwise, I am afraid our plan will not be successful.

Another point I would like to say is about the syllabus. With the abolition of the compulsory education there will be no end of different syllabus. This point was mentioned by me in my last year's budget speech that too many syllabus should not exist and that there should be one uniform curricullum in all the Middle Vernacular and Middle English schools. Therefore, in view of the existence of too many different syllabus in the Middle Vernacular and Middle English schools, I suggest that the Middle Vernacular and Middle English schools should be abolished and in place of Middle Vernacular and Middle English Schools, Primary, Middle and Secondary High Schools should be established in order to do away with the existence of too many syllabus. Sir, I am now coming to another point, that is regarding the scale of pay specially in the lower school cadre. Here we find that as far as pay scale is concerned, there is no equalisation at all. We have given different scale of pay to the teachers of the Aided High Schools and different scale of pay to the teachers of the Government High Schools. For the matriculate-teachers we have given the scale of pay from Rs.60 to Rs.125, the scale of pay which is equivalent to the scale of pay of the Lower Division Assistants in the district offices ; but as far as the Normal Passed teachers are concerned we have given them the scale of pay from Rs.60 to Rs.75, so I feel that this is quite unfair on part of the Government to keep such big a disparity between the matriculate-teachers and the normal passed teachers. As a matter of fact I do not find any where that an incumbent who starts his pay at Rs.60 after serving for 30 years he will get only Rs.75, that is to say the incumbent is earning an increment of only 8 per year. Therefore, I suggest that although I do not grudge with the scale of pay of matriculate-teachers, the normal passed teachers should be given more pay, because the normal passed teachers are coming out from a purposed school having specialised training wings whereas the ordinary matriculate teachers have not got such important trainings. If we can give more pay to the normal passed teachers, we can definitely attract more students to come to the normal schools, basically it is the normal passed teachers who can give and impart better education to our people because they have got special trainings than the ordinary matriculate-teachers. So I want to suggest that the pay scale of the normal passed teachers should be from Rs.75 to Rs.150. I hope Government will examine this point.

I would also in this connection suggest that the scale of pay from Rs.60 to Rs.125 given to the Lower Division Assistants in the district offices be extended to the teachers of the Middle Vernacular and Middle English Schools.

Now lastly I would also like to say a few words regarding sales-tax. I find that sales tax is being levied at various points. For instane, the Sualkuchi Cottage Industries have to pay the sales tax thrice. When the weaver purchases the yarn from the dealer here also there is sales-tax and again when the cloth will be sold, here also sales-tax will be charged, so it is seen that sales-tax is charged thrice for the same article, therefore, I suggest that sales-tax should be made at one point only…….. ……. …

**Mr. SPEAKER:** Your time is up.

**Shri SARAT CHANDRA GOSWAMI (Kamalpur):** With these few words, Sir, I again thank the Finance Minister for presenting his surplus budget in this House

**Shrimati LILYSEN GUPTA (Lahowal) :** মাননীয় উপাধ্যক্ষ মহোদয় এই বাজেটৰ একালে শিল্প বন, প্ৰাকৃতিক সম্পদৰ পৰ্যায়, আনহাতে সীমান্ত প্ৰতি-ৰক্ষা, বানপানী নিয়ন্ত্ৰণ পৰিবহন দুৰবস্থা, পৰ্ব্বত আৰু ভৈয়ামৰ অনুন্নত সম্প্ৰদায়ৰ শিক্ষা আদিৰ নানা সমস্যা এই সকলো দুৰ্ব্বল আৰু সকলৰ সমন্বয় কৰি, অৰ্থ নীতিৰ ভাৰ সাম্যতা বজায় ৰাখিবলৈ কৰা প্ৰচেষ্টাৰ বাবে বিত্ত মন্ত্ৰী মহোদয়ক মোৰ ধন্যবাদ জনাইছো। সকলো স্তৰ আৰু শ্ৰেণীৰ প্ৰতি দৃষ্টিপাত কৰোতে বাজেটৰ কলেবৰ বৃদ্ধি পাইছে সচা, কিন্তু কিবা এটা যদি বাদ দিয়া হয়, তেতিয়াও আনি মৰ্ম্মাহত হও কাৰণেই উপায় কি ? তথাপি মই আশা কৰো বিত্ত মন্ত্ৰী মহোদয়ে উল্লেখতে নাসামৰি কাৰ্য্যতা সবলতা প্ৰকাশ কৰিব ।

পৰিবহনত, ৰেলুৱে ব্যৱস্থা অসমত সচাকৈয়ে শোচনীয় । ডাঙৰী-ছৈখোৱা মৰাণহাটৰ পৰা ডিব্ৰুগড় আৰু লিডোৰ পৰা টিৰাপলৈকে যাত্ৰীবাহী ৰেলৰ ব্যৱস্থা অনতি-পলমে কেন্দ্ৰীয় চৰকাৰে হাতত লবলৈ অসম চৰকাৰৰ তৰফৰ পৰা দাবী জনাব বুলি আশা কৰিলো। লামডিঙৰ পৰা চিলচৰলৈ ৰেলবাট, বিমান ব্যৱস্থাৰ ত্ৰুটি আৰু অভাৱৰ ক্ষেত্ৰত কাছাৰৰ সদস্য সকলৰ লগত মোৰ একমত । এখন জিলাৰ সংযোগ অন্যান্য জিলাৰ পৰা বিচ্ছিন্ন ৰাখি কোনো ৰাজ্যই আগবাঢ়িব নোৱাৰে । কোৱা হয় যে গুৱাহাটীৰ পৰা চিলচৰলৈ বিমান ভ্ৰমণৰ সুবিধা আছে । কিন্তু ভাবি চাব লাগিব আমাৰ নিচিনা কেইজন মধ্যবিত্ত লোকে বিমানেৰে ভ্ৰমণ কৰি আনন্দ লাভ কৰিব পাৰে । গতিকে ৰেলপথ সুচল কৰি এই যাতায়াতৰ সমস্যা সমাধান কৰিব বুলি মই আশা কৰো ।

মিজো পাহাৰত প্ৰস্ফুটিত বাহৰ ফুলে যি দুৰ্ভিক্ষৰ অৱতাৰণা কৰিছে সেই দুৰ্ভিক্ষৰ সাহায্যাৰ্থে চৰকাৰে যি তৎপৰতাৰে সৈতে সাহায্যৰ ব্যৱস্থা গ্ৰহণ কৰিছে, তাৰ বাবে চৰকাৰক ধন্যবাদ জনাও । কিন্তু এটা কথা আমাৰ কৃষি গৱেষণা বিভাগে গান্ধী পোক আদি নিবাৰণৰ দ্বাৰা শস্য ৰক্ষা কৰাত বহুতো কৃতকাৰ্য্য হৈছে, মিজো পাহাৰতো বাহ ফুল ফুলাৰ সূচনাতেই প্ৰতিৰোধক ব্যৱস্থা গ্ৰহণ কৰা হলে আজিৰ এই ব্যপক ক্ষতি আৰু লাখ লাখ টকাৰ ব্যয় নিশ্চয় নহল হেতেন ; আৰু চৰকাৰে সেই টকা অন্যান্য উন্নয়নৰ কামত খৰচ কৰিব পাৰিলে হেতেন । যাতে অতৰ্কিতে এনে অৱস্থা ঘটাৰ প্ৰতিকাৰ হয় আৰু ভৱিষ্যতে ইয়াৰ বাবে আমি সাৱধান হব পাৰো তাৰ কাৰণে আমি যত্নবান হোৱা কৰ্ত্তব্য হব ।

আমাৰ চৰকাৰে সৰুসুৰা কথাত চকু দিয়া একেবাৰে অভ্যাস নাই । মোৰ সমষ্টিত গৰাখহনীয়াই যথেষ্ট ক্ষতি কৰিছে । আজি ইয়াৰ গতি বৰ ভয়াবহ আৰু বিপদ জনক।

মই আজি ৩ বছৰে একেবাহে জনাই আছো কিন্তু টকা নাই টকা নাই বুলি আজিলৈ কোনো প্ৰতিকাৰ কৰা নাই । যেতিয়া গাওঁকে গাওঁ ধুই নিব, যেতিয়া মেডিকেল কলেজ উটি যাব তেতিয়া চৰকাৰে দিব লাখ লাখ টকাৰ বিলিফ । মই এনেকুৱা এটা ব্যৱস্থা কেতিয়াও সমৰ্থন কৰিব নোৱাৰো । কিয়নো বাইজৰ যুগমীয়া সম্পত্তি নষ্ট হলে ক্ষতি পুৰণৰ দ্বাৰা তাক পুৰণ কৰিব নোৱাৰে । গতিকে ই সমীচিন নহয় ।

আমাৰ পৰিকল্পনা হৈছে কৃষিৰ উন্নতিৰ দ্বাৰা জাতীয় আয় বৃদ্ধি কৰা আৰু দেশ খন সমৃদ্ধিশালী কৰা । গতিকে বাতৰি কাকত, ৰেডিঅ', সভা-সমিতি আদিত বিবিধ ধৰণৰ বৈজ্ঞানিক পদ্ধতিত উৎপাদন বৃদ্ধি কৰাৰ ধুনিয়া ধুনিয়া বক্তৃতা ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিদন্দীতা চলি আছে । পথাৰ পৰিচালনা কমিটি, সেৱা সমবায়, ঋণদান সমিতি আদি গঠন কৰা হৈছে ; ইয়াৰ উদ্দেশ্য ও লক্ষ্য বৰ প্ৰয়োজনীয় আৰু যুক্তিপূৰ্ণ । তাৰোপৰি মূল কথা হৈছে টকা । ডিব্ৰুগড়ৰ 'লাৰজাৰ চাইজ কোঅপাৰেটিভ কেইটামানৰ অৱস্থা ও সমস্যা টকাৰ অভাৱ । 'চেণ্ট্ৰেল কো-অপাৰেটিভ বেঙ্ক বিলাকত ঋণ দান সমিতি বিলাকৰ দৰ্খাস্ত পৰি আছে—টকা নাই । গতিকে এই যে কৃষি উন্নয়ন যন্ত্ৰ স্বৰূপ সস্থা সমিতি বিলাক আছে সেইবিলাকৰটো টকা নহলে কাৰ্য্য পৰিচালনা কৰা সম্ভৱ নহয় । তেল, কয়লা, পানী বিহীন ইঞ্জিন এটাক-লাগে যিমানেই সুদক্ষ পৰিচালক নহওক এক বেগেতো আগবঢ়াব নোৱাৰে ।

